# RUKMINĪ-HARAN NĀT

BY

MAHĀPURUṢA ŚAṄKARDEV

IN 1532 A.D.

EDITED BY

AMBICANATH BORAH, M.A.

LECTURER, CALCUTTA UNIVERSITY

SECOND EDITION

UNIVERSITY OF CALCUTTA

1950

Rs. 2/-

মহাপুৰুষ শ্ৰীশ্ৰী৺শঙ্কৰ দেৱৰ ৰচিত

# ৰুক্মিণী-হৰণ নাট

কলিকতা ইউনিভাৰচিটিৰ অসমীয়া সাহিত্যৰ লেকচাৰাৰ

শ্ৰীঅম্বিকানাথ বৰা, এম. এ. ৰ দ্বাৰা

সম্পাদিত

শক ১৮৭১

## INTRODUCTION

The author of this Assamese drama, Mahāpuruṣa Śaṅkardev was born in the year 1449 A. D. in the district of Nowgong in Assam. He was the Baiṣṇava reformer in that part of the country. He was the author of a large number of books in Assamese language; some of them were translations from Sanskrit while others were his original productions. Here we shall deal with only the dramas written by him.

The first drama written and played by Śaṅkardev was Chihnajātrā in the year 1468 A. D. when he was only 19 years old. Unfortunately the book has not been preserved, but in the biographies of Śaṅkardev, written by his contemporaries, we find minute details of the first dramatic performance. We are told by these biographers that Śaṅkardev was requested by his friends and relations to show them Baikuṇṭha, the heaven of the Baiṣṇavas and how Lakṣmī worshipped Biṣṇu, how Brahmā, the creator,

received the command from Bisṇu, how the Pārisadas, that is the devotees and servants, helped him in maintaining the creation. Śaṅkardev accordingly wrote an Aṅka that is a drama, and painted scenes of seven Baikuṇṭhas, and coached the actors and the musicians for the performance. We are told about the difficulty Śaṅkardev experienced in painting the scenes and how he was instructed by an unknown Sannyāsī, believed to be God Śiva in disguise, how to overcome it. On the scenes he painted everything that is read in the Purāṇas about Baikuṇṭha. When the scenes were ready and musicians and actors were properly trained, the performance was held one night. Śaṅkardev himself took the part of Bisṇu of one Baikuṇṭha. A bed was laid by the side of one scene, Śaṅkardev riding on an actor taking the part of Garuḍ with a mask on his face, approached the bed and sat on it. Then a boy taking the part of Lakṣmī with a lotus wreath in his hand entered and approached the bed where Bisṇu was sitting. Brahmā, Śiva and the Pārisadas entered and sat round the bed, and received his command regarding their respective duties ; Lakṣmī rubbed the feet of the Blessed One, sitting by Him on the bed. In the same manner by the side of the scenes of other Baikuṇṭhas beds were laid and actors acted

similarly. The Sūtradhār guided the whole play. Things which could not be put in the mouths of actors or the Sūtradhār were explained in the songs. We have an example of this in Rukmiṇī-haraṇ also; the description of the journey of Vedanidhi from Kuṇḍina to Dvārakā has been given in a song to be sung by the choir.

The most important point to be noticed in that first dramatic performance of Sankardev, is the use of painted scenes closely bearing on the subject-matter of the drama. We know in staging Sanskrit dramas sometimes a single scene was used painted with various designs, but it had no bearing on the subject-matter of the play. Even in the stages of Europe scenes appeared at a much later date. Mr. Ashly Dukes in his treatise on Dramas says: "To Greeks scenery represented a formal background...... The painting of the scene had a purely symbolic character and Hellenic taste would probably not have approved any simulation of reality............Scenery in the modern sense of the word began to be used.........in time of the Restoration in England and of the later Renaissance in Europe generally." Thus we find the scenery, closely connected with the subject-matter of the play as in modern theatres, was not used in playing the Sanskrit dramas in India and it came to be used in Europe in the

seventeenth century, while as early as the 15th century Śaṅkardev staged an Assamese drama with a background of painted scenes bearing on the subject-matter of the play. Evidently the credit of using, first, scenery in dramatic performances in modern sense, goes to Śaṅkardev of Assam.

But the use of painted scenery in dramatic performances was not continued, the reason being the difficulty in getting the scenes painted. Therefore later dramatic performances were held without scenes.

Rukmiṇīharaṇ was another drama written by Mahāpuruṣa Śaṅkardev in the year 1531 A.D., when he was at Patbausi Satra and it was first played there. We are not told who took part in that play. We find references however to Śaṅkardev himself with his learned disciple Mādhabdev taking the parts of Nanda and Upānanda respectively in the play of Dadhimathan, a drama written by Mādhabdev. We also find mention of how people were pleased to witness the performance of Pārijātharaṇ, a drama of Śaṅkardev. We are also told that Rāmrāi Ṭhākur, the younger brother of Śaṅkardev, acted as a stage-manager in the play of Rukmiṇīharaṇ.

Rukmiṇīharaṇ is representative of the class of dramas written for and played on the Assamese

stage from sixteenth century up to the beginning of the last century. We find no mention of any Assamese drama written or played before those of Śaṅkardev. We are told that Śaṅkardev wrote a few Assamese dramas on the lines of the Sanskrit dramas, before he took up the writing of the new class of dramas like Rukmiṇīharaṇ, but those dramas were not successful on the stage as they did not attract an audience or appeal to the people in general. Those dramas were in consequence no longer staged and have not been preserved. Then he began to write dramas in a different style, the first of which was Patnīprasād written sometime in 1526 A.D. He found that a drama written in this new style was successful on the stage, as it did both attract an audience and appeal to the people. Encouraged by his success he wrote five more dramas, *viz.*, Rukmiṇīharaṇ, Pārijātharaṇ, Kāliyadaman, Sītāsvayambar and Rāskrīḍā.

Śaṅkardev's main object was to preach his religion, so he sacrificed everything to that ideal; and in the construction of the dramas also he sacrificed literary beauty in order to make them popular and attractive and he was eminently successful in this. It is not known whether Sankardev borrowed this new style from somewhere or whether it was his own creation. He called his dramas Aṅkīyanāṭ

or Aṅka which is a class of Sanskrit drama, but his dramas do not conform to the rules of the Sanskrit dramas. As in the Sanskrit dramas Śaṅkardev's dramas have a Sūtradhār but the functions of the Sūtradhār in Sankardev's dramas are quite different from those of the Sūtradhār of a Sanskrit drama. In the Sanskrit dramas the Sūtradhār appears at the beginning, explains the play and does not come on the stage any more; but in Śaṅkardev's dramas he remains on the stage all the time, guides the whole play and explains everything even the music and the songs. This enables the audience to follow the play easily and to get interest in it, even if they are not sufficiently educated. Therefore the introduction of the Sūtradhār in this new rôle served the main purpose, namely, to explain the matter of the play and to sustain its interest. Considering these facts we shall probably be not wrong in concluding that this new style was the outcome of Sankardev's own practical experience.

These dramas were successful on the stage. They are therefore staged regularly in all the Satras (monasteries) and village Nāmghars (common prayer halls). They used to be played in the court of the Kings of Assam as well as in the houses of the nobles; and when an ambassador from a foreign monarch came to the

court, he was entertained by the performance of one of these dramas. The success of these dramas induced many to write dramas. During the life-time of Śaṅkardev his learned disciple, Mādhavdev, wrote a few dramas and subsequently a large number of dramas were written by various authors. In many Satras it grew up as a custom that as soon as a new Adhikār came to the *gadī* he celebrated that auspicious occasion by writing a new drama. Thus we have a large number of dramas on various incidents from the Purāṇas, the Mahābhārata and the Rāmāyaṇa. Sometimes we have more than one drama on the same subject by different writers, for instance Kaṃsabadh drama as played in Barpeta Satra is not the same as that played in Dihing Satra. If all these dramas were collected and published, they would show how the dramatic literature developed since sixteenth century in the eastern corner of Āryāvarta.

A few words are needed about the language of these dramas. The language is medieval Assamese mixed with that dialect which is known as Brajabuli. Most of the Baiṣṇava writers of Northern India used this dialect in their writings. In Assam also the Baiṣṇava writers like Śaṅkardev and his successors used that dialect ; but it is noticeable that they used it only in their dramas

and in a few songs composed to Sanskritic tunes. We do not find a trace of Brajabuli in any other kind of writing, not even in Śaṅkardev's Kīrttan and Madhavdev's Nāmghosa which were meant to be sung in daily prayers. Yet in the dramas it finds such a prominent place. We would like to suggest two reasons for this being so. Firstly, we mentioned above that Śrī Śaṅkardev's main object was to preach his religion and he wrote these dramas with that end in view ; he therefore wanted to make them attractive and at the same time to give them sanctity. If the gods and goddesses appeared on the stage and talked in the colloquial language of the ordinary people, they might lose some of the sanctity and reverence attending them and so he made them speak in a language different from the one used by the people, but at the same time one that would be understood by them. Brajabuli served both the purposes. The second reason is that Brajadhām the holy land for the Baiṣṇavas and the dialect of the place was also considered sacred and it was natural for a Baiṣṇava writer to use that sacred dialect in his writings, moreover there is the inherent sweetness of the language.

I take this opportunity to express my sincere thanks to Pandit Kokilesvar Sastri Vidyaratna, M.A., for correcting the Sanskrit Ślokas in the book

and to Mr. Ramaprasad Mookerjee, M.A., B.L., and Mr. Syamaprasad Mookerjee, M.A., B.L., Barrister-at-Law, M.L.C., for the encouragement I received from them in connection with the printing of the book.

SENATE HOUSE,
CALCUTTA :
*The 25th August, 1932.*

A. BORAH

# পাতনি

ৰুক্মিণী হৰণ নাট মহাপুৰুষ গুৰু শ্ৰীশঙ্কৰদেৱে দ্বিতীয়-বাৰ তীৰ্থ লৈ যোৱাৰ আগেয়ে পাটবাউসীত থাকোতে লিখিছে। মহাপুৰুষ গুৰু ১৫৩৩ খৃষ্টাব্দত দ্বিতীয়বাৰ তীৰ্থ লৈ যায় গতিকে এই নাট ১৫৩১ বা ১৫৩২* খৃষ্টাব্দতে লিখা হয়। এই ৰুক্মিণী হৰণ নাটৰ বিষয়ে অলোচনা কৰিব খুজিলে আমাৰ দেশৰ নাট্য সাহিত্যলৈ অলপ চকুদিব লাগিব, অকল অসমৰেই নহয় ভাৰতৰ নাট্য সাহিত্যৰ লগত এই নাটকৰ কি সম্বন্ধ আৰু ভাৰতৰ নাট্য সাহিত্যৰ বুৰঞ্জীত ইয়াৰ কেনে ঠাই, আদি কথাৰ অলপ গম লব লাগে।

অসমত অৰ্থাৎ পূৰ্ব্ব ভাৰতত মহাপুৰুষ গুৰুৰ আগেয়ে কোনো নাটকৰ অভিনয়ৰ কথা কোনো বুৰঞ্জীত পোৱা নাযায়। অৱশ্যে কুমাৰ ভাস্কৰ বৰ্ম্মা আদি ডাঙৰ ডাঙৰ চক্ৰবৰ্ত্তী ৰজা সকলৰ দিনত, ভাৰত বিখ্যাত পণ্ডিত

* দিহিং সত্ৰত সৰুজনাৰ কালে থকা ৰুক্মিণীহৰণ আৰু সীতাস্বয়ম্বৰ• দুয়োখন নাটতে বিন্দু বক্ৰ বেদ চন্দ্ৰ শকত ৰচিত বুলি আছে, তেনেহলে ১৪০০ শক অৰ্থাৎ ১৪৭৮ খৃষ্টাব্দ হয়। সুন্দৰীদিয়া সত্ৰৰ শ্ৰীযুত ভাগৱতী দেউৰ শকো ইয়াৰ লগত মিমিলে গতিকে আমি শ্ৰীযুক্ত বেজবৰুৱা ডাঙৰীয়াৰ শঙ্কৰদেৱ পুথি মতে শক দিলো আৰু বাইজৰ বিচৰলৈ আগ বঢ়ালো।

সকলেৰে ভৰপূৰ, সংস্কৃত ভাষা আৰু সাহিত্য আলোচনাৰ প্ৰধান কেন্দ্ৰ, কামৰূপত যে সংস্কৃত নাটকৰ কোনো অভিনয় বা আলোচনা হোৱা নাছিল, এনে অনুমান নহয়। কিন্তু আমি যেতিয়া তাৰ কোনো প্ৰমাণ এতিয়ালৈকে পোৱা নাই, তেনে কথা আলোচনা কৰাৰ একো ফল নাই। আৰু যদি সেই সময়ত কোনো নাটকৰ অভিনয় বা আলোচনা হৈছিল, সি সংস্কৃততেহে হৈছিল, দেশীয় অৰ্থাৎ অসমীয়া ভাষাত নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ আগলৈকে অৰ্থাৎ শঙ্কৰ দেৱৰ ১৯ বছৰ বয়সত ১৪৬৮ খৃষ্টাব্দত চিহ্নযাত্ৰা ভাওনা পতাৰ আগেয়ে কোনো দেশীয় ভাষাত অভিনয় বা দেশীয় অৰ্থাৎ অসমীয়া ভাষাৰ নাটকৰ কথাৰ একো গম পোৱা নাযায়। গতিকে মহাপুৰুষ শঙ্কৰদেৱেই অসমীয়া ভাষাত প্ৰথম নাটক ৰচোঁতা আৰু গুৰুজনে পতা চিহ্নযাত্ৰা ভাওনাই প্ৰথম অসমীয়া অভিনয় বুলি ধৰিলে ভুল নহব। বিশেষকৈ ৰামচৰণ ঠাকুৰে লিখা গুৰুচৰিত পুথিত চিহ্নযাত্ৰা ভাওনা পাতোতে গুৰুজনে যিমান নতুন আহিলা পাতি গোটাই আয়োজন কৰিব লগা হৈছিল বুলিছে আৰু সেই আহিলা পাতি বিলাক তেওঁ নিজে বাঢ়ৈ খনিকৰ আদিক যিদৰে বুজাই শুনাই কৰাব লগা হৈছিল আৰু অভিনয় দেখি মানুহে যিমান আচৰিত মানিছিল, ইত্যাদি কথাৰ পৰা বুজা যায় যে তাৰ আগেয়ে তেনে কোনো অভিনয় হোৱা নাছিল।

মহাপুৰুষ শঙ্কৰদেৱৰ এতিয়া ৬ ছখন নাট পোৱা গৈছে। তাৰ ভিতৰত পত্নীপ্ৰসাদ প্ৰথমে লিখে, পাচত ৰুক্মিণী হৰণ, সীতাস্বয়ম্বৰ, কালিয়দমন আৰু পাৰিজাত হৰণ ৰচনা কৰে, শেহত ৰাসলীলা লিখা হয়। এই কেইখন নাটক ৰচনা কৰাৰ আগেয়ে আৰু কেইখনমান নাট গুৰুজনে ৰচনা কৰা বুলি সুন্দৰীদিয়া সত্ৰৰ পণ্ডিত শ্ৰীযুত কৃপানাথ ভাগৱতীদেৱে আমাক জনাইছে। সেই নাটবোৰ এতিয়া পোৱা নাযায়, ভাগৱতীদেৱে লুপ্ত হল বুলিছে। এই নাটকবিলাক লুপ্ত হোৱাৰ আমাৰ এটা আনুমানিক কাৰণ পাচত দিয়া হব। চিহ্নযাত্ৰা আমাৰ প্ৰথম ভাওনা, কিন্তু চিহ্নযাত্ৰা নাট পোৱা নাই। কোনো কোনোৰ মতে চিহ্নযাত্ৰা বুলি এখন নাট লিখা হোৱাই নাছিল। কেৱল চিনখন আঁকি দেখুৱাই বুজাই দিয়া হৈছিল। আমি কিন্তু সেই মত সমৰ্থন কৰিব নোৱাৰোঁ, কিয়নো ৰামচৰণ ঠাকুৰৰ গুৰুচৰিত পুথিত আছে :—

বৈকুণ্ঠ নগৰ পটতে লেখিয়া
অঙ্ক কৰিলন্ত তাৰ ॥
ধেমালিৰ ঘোষা প্ৰথমে লেখিলা
দ্বিতীয় শ্লোক ৰচিলা।
সূত্ৰ ভটিমাক গীততে কৰিলা
চিন সব বিভাগিলা ॥

গীত সূত্ৰ নাট সমস্তে কৰিয়া
যেবে সাঙ্গ কৰিলন্ত।
ভুঞাসৰে ৰভা ঘৰ সাজি যেবে
শঙ্কৰত জনাইলন্ত॥

এই বিবৰণৰ পৰা স্পষ্টকৈ দেখা যায়, যে চিহ্নযাত্ৰা বুলি এখন অঙ্ক অৰ্থাৎ নাট লিখা হৈছিল। তাত সূত্ৰধাৰ আছিল, সূত্ৰধাৰৰ বচন আছিল, আন আন ভাওৰীয়া সকলৰ বচন আছিল, আৰু কিছুমান কথা গীততে সুমাই দিয়া বুলি লিখিছে অৰ্থাৎ যিখিনি কথা ভাওৰীয়াৰ বচনৰ দ্বাৰা প্ৰকাশ নেপালে, সেইখিনি গীতৰ দ্বাৰা প্ৰকাশ কৰাইছিল। যেনেকৈ ৰুক্মিণী হৰণ নাটত বেদনিধিবাপু কুণ্ডিণ নগৰৰ পৰা দ্বাৰকা পুৰলৈ যোৱাৰ বিবৰণ কোনো ভাওৰীয়াৰ বচনত দিব নোৱাৰি, অথচ সূত্ৰধাৰৰ বচনত দিয়াটোও ভাল নেদেখি, গতিকে সেই খিনি কথা গীততে দিয়া হৈছে। এই চিহ্নযাত্ৰা নাট লুপ্ত হোৱাৰ কাৰণ, অনুমান হয় ইয়াক অভিনয় কৰিবলৈ আচল। ইয়াক অভিনয় কৰিবলৈ গুৰুজনে নিজে সাত বৈকুণ্ঠৰ পট বা চিন আঁকিছিল। সেইদৰে সদাই চিন আঁকি এই নাটকৰ অভিনয় কৰা সম্ভৱ নাছিল, গতিকে তাৰ অভিনয় নোহোৱাত পুথিৰ সৰহ নকল কৰা নহল আৰু লাহে লাহে লুপ্ত পালে। এই প্ৰথম অভিনয়

সম্বন্ধে আৰু এটা কথা মন কৰিব লগীয়া এই যে, চিহ্নযাত্ৰাঁ ভাওনাত চিন আঁকি সেই চিনৰ গাত ভাওৰীয়া সকলে ভাওনা কৰিছিল। গুৰুজনে নিজে এখন বৈকুণ্ঠৰ বিষ্ণুৰ ভাও লৈছিল, সৰ্ব্বজয় আতৈয়ে মুখত মুখা পিন্ধি গৰুড়ৰ ভাও লৈছিল অৰু ৰঘুপতি ধোবাৰ পুতেক চিদাই লক্ষ্মীৰ ভাও লয়। আন আন ভকত সকলেও সেইদৰে ব্ৰহ্মা, হৰ, পাৰিষদ আদিৰ ভাওলৈ বৈকুণ্ঠৰ চিনৰ ওচৰত অনন্ত শয্যা পাতি বেঢ়ি বহিছিল। কিন্তু এইদৰে চিন আঁকি আৰু কোনো নাটকৰ ভাওনা কৰা জনা নাযায়। ইয়াৰ কাৰণ কেৱল তেনে কৰিবলৈ আচল। সকলো সময়তে, সকলো ঠাইতে তেনে চিত্ৰকৰ, খনিকৰ পোৱা নাযায়, গতিকে চিন আঁকা অসম্ভব হয়, সেই গুণেই চিন আঁকি ভাওনা কৰাৰ নিয়ম নচলিল। আজিকালিৰ নিচিনা বজাৰৰ মানুহে ধনলৈ চিন আঁকি দিয়া পোৱাহলে কিজানি আমাৰ সেই কালৰ ভাওনাঘৰো আজিকালিৰ থিয়েটৰৰ ষ্টেজ হৈ উঠিল হেতেন।

মহাপুৰুষ শঙ্কৰদেৱৰ আৰু তেওঁক অনুকৰণ কৰি লিখা নাটকবিলাকৰ বিষয় আলোচনা কৰোতে এটা কথা সদাই মনত ৰাখিবলগীয়া এই যে নাটকবিলাকৰ প্ৰধান বা একমাত্ৰ উদ্দেশ্য আছিল ধৰ্ম্মমত বিলাক সৰ্ব্বসাধাৰণক বুজাই দিয়া। এই মূল উদ্দেশ্যটো লক্ষ্য ৰাখি নাটক ৰচনা কৰাত নাটকবিলাকৰ আন কোনো গুণৰ হীন-

ডেৰিলৈ মন কৰা নাছিল কেৱল কথা যাতে লৰা, তিৰুতা, সৰু, ডাঙৰ, শিক্ষিত, অশিক্ষিত সকলোৱে বুজিব পাৰে তালৈহে চকু ৰখা হৈছিল। আৰু এইটো স্পষ্টকৈ দেখাগৈছে, সেই উদ্দেশ্য সম্পূৰ্ণৰূপে সফল হৈছিল। সেইগুণেই এই নাটকবিলাকৰ ভাওনা আজিলৈকে অসমীয়াৰ হাড় মগজুত সোমাই আছে।

মহাপুৰুষ শঙ্কৰদেৱে সংস্কৃত নাটকৰ আহিৰে, সংস্কৃত নাটকৰ নিয়ম অনুসাৰেই নাটবোৰ ৰচনা কৰিছে। কিন্তু তেওঁৰ উদ্দেশ্য সফল কৰিবলৈ অলপ লৰচৰ কৰিব লগা হৈছে। নাটকবিলাকক অঙ্ক বোলা হৈছে, যেনে পাৰিজাতহৰণ নাট সম্বন্ধে চৰিত পুথিত আছে :—

পাৰিজাত হেন নাম অঙ্ক মহা অনুপাম
কৰিলা শঙ্কৰ তাত পাছে।
ৰচিলন্ত অঙ্ক যেবে লোকৰ আনন্দ তেবে

আমাৰ মানুহে সেইগুণেই এই নাটক বিলাকক অঙ্কীয়ানাট বোলে। অঙ্ক সংস্কৃত নাটকৰ এটা শ্ৰেণী। সংস্কৃত নাটক দহ শ্ৰেণীত ভাগ কৰা হৈছে যেনে, নাটক, প্ৰহসন, প্ৰকৰণ, ভাণ, অঙ্ক বা উৎসৃষ্টিকাঙ্ক, ঈহামৃগ ইত্যাদি। এই অঙ্ক শ্ৰেণীৰ নাটকৰ লক্ষণ সম্বন্ধে সংস্কৃত নাট্যশাস্ত্ৰ মতে লিখা বিশ্বনাথৰ সাহিত্যদৰ্পণ গ্ৰন্থৰ ইংৰাজী ভাঙনিত এইদৰে আছে, Aṅka or Utsristikanka is a piece in a

single act, ordinary men being its heroes. The pathetic is the permanent flavour in it, abounding as it does in lamentation of women of self-disparagement. The plot should be a well-known story expanded by poet's imagination. It has two junctures, the Mukha (opening) and Nirvahana (conclusion) with their subdivisions and also the ten subdivisions of Lāsya (gentle dance).

অঙ্ক শ্রেণীৰ নাটকৰ এই সূত্ৰ আমাৰ নাটকত সম্পূৰ্ণৰূপে নাখাটে। নাটক খনত মাত্ৰ এটা অঙ্ক থাকিব লাগে, এই নিয়মটোত বাজে আন লক্ষণবোৰ একেবাৰে বেলেগ। বিশেষকৈ এটা কথাত সংস্কৃত নাটকৰ লগত আমাৰ নাটক একেবাৰে নিমিলে, সেয়ে হৈছে সূত্ৰধাৰ।

সকলো শ্রেণীৰ সংস্কৃত নাটকতে সূত্ৰধাৰ আছে। সূত্ৰধাৰে নান্দী অৰ্থাৎ মঙ্গলাচৰণ গোৱাৰ পাচত নান্দ্যন্তে সূত্ৰধাৰঃ বুলি নাটকৰ সূচনা কৰে। কোনো নাটকত নটীৰ আগত, কোনো নাটকত বিদূষকৰ আগত, কি নাটক কেনে দৰে অভিনয় কৰা হব, তাকে কৈ সূত্ৰধাৰ গুচি যায়। পুৰণি সংস্কৃত নাটকত হেনো এজন স্থাপক বোলাও আছিল। নান্দী গোৱাৰ পাচত, সূত্ৰধাৰে নাটকৰ সূচনা কৰি দিলে, স্থাপকে নাটকৰ অভিনয় আৰম্ভ কৰায়। কিন্তু পাচৰ নাটকৰ অভিনয়ত সূত্ৰধাৰেই স্থাপকৰ কাৰ্য্যটোও

ৰুবাৰ প্ৰথা হল, গতিকে স্থাপক ওলোৱা প্ৰথা লুপ্ত পালে। আমাৰ নাটকত নান্দী গোৱা হয়।• সংস্কৃত নাট্যশাস্ত্ৰত নান্দী কেইশাৰী হব লাগে, কেনেবিলাক কথা তাত থাকিব লাগে, এইবোৰ ধৰিদিছে। কিন্তু আমাৰ নাটকত তেনে কোনো বন্ধা নিয়ম মনা দেখা নেযায়। অৱশ্যে সদাই নান্দীত সংস্কৃত শ্লোক দুটা বা তিনটা থাকে আৰু অসমীয়াত এডোখৰ ভটিমা থকা দেখা যায়। এই নান্দীও আমাৰ নাটকৰ অভিনয়ত সূত্ৰধাৰেই গায় আৰু শেহত ঠিক সংস্কৃত নাটকৰ নিচিনা "নান্দ্যন্তে সূত্ৰধাৰঃ" বুলি নাটকৰ সূচনা কৰে। আমাৰ সূত্ৰধাৰে সদাই সঙ্গীক সম্বোধন কৰি, সঙ্গীৰ প্ৰশ্নৰ উত্তৰ দি অভিনয় আৰম্ভ কৰে। সংস্কৃত নাটকত অভিনয় আৰম্ভ কৰি দি সূত্ৰধাৰ ভাওনা ঘৰৰ পৰা ওলাই যায়, কিন্তু আমাৰ নাটকৰ সূত্ৰধাৰ ভাওনা ঘৰত সততেই থাকে আৰু তেওঁ এটাইবিলাক ভাওৰীয়াক সময়মতে এজন এজনকৈ উলিয়াই আনে, কোনে কেতিয়া কি কব লাগে ইঙ্গিত দিয়ে। অভিনয় বুজিবলৈ যিখিনি কথা ভাওৰীয়া সকলৰ বচনত দিব নোৱাৰি তাক সূত্ৰধাৰে নিজে কৈ অভিনয় বুজিব পৰা কৰি দিয়ে। আজিকালি থিয়েটাৰ ঘৰতো ছপা প্ৰগ্ৰেম এখন হাতত নহলে অভিনয় বুজিবলৈ টান হয়। সেইদৰে পোন্ধৰ যোল্ল শতিকাত তেনে ছপা প্ৰগ্ৰেম দৰ্শকৰ হাতত নথকাত অভিনয় বুজিবলৈ টান আছিল। এই দোষটো সংস্কৃত

নাটকত সম্পূর্ণৰূপেই আছিল। সেইগুণে সংস্কৃত নাটকৰ অভিনয় কেইজনমান পণ্ডিত ব্ৰাহ্মণ আৰু ক্ষত্ৰীয়ইহে চাইছিল। সৰ্ব্ব সাধাৰণে সেই অভিনয়বোৰৰ একো ভু নেপাইছিল আৰু নেচাইছিল। প্ৰফেচাৰ কিথ আদি পণ্ডিত সকলৰ মতে সংস্কৃত নাটকৰ অভিনয় বহুত ঠাইত শূদ্ৰক চাবলৈ দিয়াই নহৈছিল। গতিকে সংস্কৃত নাটকৰ অভিনয় সৰ্ব্বসাধাৰণে বুজিব পৰা কৰাৰ চেষ্টা হোৱাই নাছিল। কিন্তু আমাৰ মহাপুৰুষ শঙ্কৰদেৱৰ উদ্দেশ্য আছিল মহৎ। তেওঁ সকলোকে জ্ঞানৰ পোহৰ দিব খুজিছিল, তেওঁ অসমৰ দুখী, সুখী, ডাঙৰ, সৰু, উচ্চ-কুলীয়া, নীহকুলীয়া সকলোৰে মানত জ্ঞানৰ বন্তি জ্বলাব খুজিছিল। তেওঁ নাটক কেইজনমান পণ্ডিতৰ নিমিত্তে লিখা নাছিল, তেওঁৰ নাটকৰ অভিনয় যাতে সকলোৱে অতি সহজে বুজিব পাৰে সেয়ে তেওঁৰ লক্ষ্য আছিল, গতিকে তেওঁ নাটকৰ অভিনয় বুজাই দিবলৈ সূত্ৰধাৰ জন ভাওনা ঘৰত সততে ৰাখিছিল। তেনে কৰাত দৰ্শকে ভাওনাৰ এটাইবিলাক ভাওৰীয়াক চিনি পাইছিল আৰু সকলো কথা বুজি পাইছিল। গতিকে মানুহে ভাওনা চাই ৰস পাইছিল। এইদৰে এই নাটকবিলাকৰ ভাওনাই দৰ্শক আকৰ্ষণ কৰাত আমাৰ দেশত অসংখ্য নাটক লিখা হৈছে আৰু আমাৰ নাট্য সাহিত্যই ভাৰতৰ ভাষা বিলাকৰ সাহিত্যৰ মাজত উচ্চ আসন লাভ কৰিছে।

• ওপৰত উনুকিয়া হৈছে যে পণ্ডিত শ্ৰীযুত কৃপানাথ ভাগৱতীদেৱে কয় মহাপুৰুষ গুৰুৱে এই ছখন নাটক ৰচনা কৰাৰ আগেয়ে আৰু নাটক ৰচনা কৰিছিল, কিন্তু সেই নাটকবোৰ লুপ্ত হৈছে। আমি অনুমান কৰোঁ সেই নাটোকবোৰ ঠিক সংস্কৃত নাটকৰ নিচিনাকৈ লিখা হৈছিল অৰ্থাৎ সূত্ৰধাৰ নাটকৰ সূচনা কৰি দি গুচি গৈছিল। পাচত দেখা গল যে তেনে কৰিলে দৰ্শকে ভাওনা ভালকৈ নুবুজে আৰু সহৰকৈ দৰ্শক আকৰ্ষণ কৰিব নোৱাৰে, গতিকে ভাওনা যাতে ভালকৈ বুজে তেনে কোনো উপায় কৰি নাটক ৰচনা কৰিব লগা হল। সেই দেখি এই নতুন নাটক-বিলাকত সূত্ৰধাৰক ভাওনা ঘৰত সততে ৰখাই কথা বুজাই দিয়া কৰি দিলে। তেনে কৰাত দেখা গল, ভাওনা সকলোৱে বুজিব পৰা হল আৰু সকলো শ্ৰেণীৰ দৰ্শককে আকৰ্ষণ কৰিলে। এই নতুন নাটকবোৰৰ ভাওনা যেতিয়া ইমান মনোগ্ৰাহী হবলৈ ধৰিলে আগৰ নাটক বিলাকৰ অভিনয় নকৰা হল, গতিকে পুথিৰ নকল নকৰাত লাহে লাহে লুপ্ত হল। নাইবা গুৰুজনে যেতিয়া দেখিলে, তেওঁৰ নতুন নাটকবোৰৰ ভাওনাহে সকলোৱে বুজা হল, আৰু অভিনয় মনোগ্ৰাহী হল, তেতিয়া তেওঁ নিজেই আগেয়ে লিখা নাটক বিলাক অকামিলা বুলি নষ্ট কৰিলে। কিন্তু আমাৰ এই অনুমান শ্ৰীযুত ভাগৱতীদেৱে মানিব নেখোজে। গতিকে আমি ইয়াক ৰাইজৰ বিচাৰলৈ আগবঢ়ালো।

সংস্কৃত নাটকত সদাই এজন বিদূষক থাকে কিন্তু আমাৰ কোনো নাটকত বিদূষক নাই, এই কথাতো সংস্কৃত নাটকৰ লগত আমাৰ নাটকৰ অমিল। যদিও আমাৰ নাটকৰ মাজত তেনে কোনো ধেমেলীয়া ভাওৰীয়া দিয়া হোৱা নাই, কিন্তু অভিনয় কৰাত সদাই আমাৰ ভাওনাত নটুৱা, বহুৱা আদি ওলোৱাৰ প্ৰথা আছে। নটুৱা বহুৱা নাটকৰ অঙ্গ নহলেও দৰ্শকৰ মানত ৰং লগাবলৈ আৰু ভাওনাৰ ভাওৰীয়া সকলক মাজে মাজে জিৰণি দিবলৈ অভিনয়ত সদাই থাকে।

ধনঞ্জয়ৰ দশৰূপ শাস্ত্ৰত, সংস্কৃত নাটকৰ অভিনয় কৰোতে কেইটামান কথা দেখুৱা দোষণীয় বুলি লিখিছে, যেনে খোৱা, পিন্ধাউৰা, যুদ্ধ ইত্যাদি। কিন্তু আমাৰ নাট্যকাৰ সকলে সেইবোৰ মানি চলা দেখা নেযায়। যেনে পত্নীপ্ৰসাদ আৰু চোৰধৰা নাটকত গোসাঁয়ে লৰুনু খোৱা দেখুৱা হয়, বহুত নাটকৰ অভিনয়ত যুদ্ধও দেখুৱা হয়।

এই নাটক বিলাকৰ ভাষা বিশেষকৈ মন কৰিব লগীয়া। ষোল্ল শতিকাৰ ভাষাৰ লগত অৱশ্যে আমাৰ বৰ্ত্তমান ভাষাৰ কিছু অমিল থাকিবই, কিন্তু এই নাটক বিলাকৰ ভাষাৰ লগত আমাৰ বৰ্ত্তমান ভাষাৰ অমিল বৰ বেচি। ইয়াৰ কাৰণ নাটক বিলাকত, সেই সময়ৰ আমাৰ ভাষাৰ লগত ভাৰতবৰ্ষত ব্ৰজাৱলী বুলি যি এটা কথিত ভাষা আছে, তাকে

বহুল পৰিমাণে মিহলোৱা হৈছে। ব্ৰজাৱলী অৰ্থাৎ ব্ৰজধামৰ কথিত ভাষা; পোন্ধৰ, ষোল্ল শতিকাৰ উত্তৰ ভাৰতৰ বৈষ্ণৱ কবি প্ৰায় এটাই বিলাকৰেই ৰচনাত অলপ অচৰপ ব্ৰজাৱলী মিহলি আছে। হিন্দুস্থানৰ বিদ্যাপতি, বঙ্গদেশৰ চণ্ডীদাস আদিৰ ৰচনাত ইয়াক বহুত পোৱা যায়। এওঁবিলাকৰ পাচৰ বৈষ্ণৱ কবিসকলৰ ৰচনাতো ইয়াৰ প্ৰভাৱ অতি কম নহয়। গতিকে আমাৰ দেশৰ বৈষ্ণৱ কবি সকলেও ইয়াক আদৰ কৰা একো আচৰিত কথা নহয়। কিন্তু ব্ৰজাৱলী ব্যৱহাৰ কৰাত আন দেশৰ কবি সকলৰ লগত আমাৰ দেশৰ কবি সকলৰ এটা ডাঙৰ প্ৰভেদ আছে। আন দেশৰ বৈষ্ণৱ কবি সকলে তেওঁ বিলাকৰ সকলো ৰকম গীত পদতে ব্ৰজাৱলী মিহলাইছিল কিন্তু আমাৰ কবি সকলে তেনে কৰা নাছিল। তেখেতসকলে নাটকবিলাকত বাজে তেখেতসকলৰ আৰু কোনো ৰকম ৰচনাত ব্ৰজাৱলী ব্যৱহাৰ কৰা দেখা নেযায়। বৰগীতবিলাকত আছে সচাঁ, কিন্তু সৰহভাগ বৰগীতেই নাটকৰ পৰা নিয়া, গতিকে সিও নাটকৰ অঙ্গ। আন কোনো কাব্য, কোষ, ঘোষা, পদ আদিত ব্ৰজাৱলীৰ গোন্ধো নাই। মহাপুৰুষ গুৰুৱেই প্ৰথমে নাটকত ইয়াক ব্যৱহাৰ কৰে, অথচ তেওঁৰ কীৰ্ত্তনত তাৰ ছাঁও নাই। তেনেহলে বিশেষকৈ নাটকবিলাকত ইয়াক ব্যৱহাৰ কৰাৰ কাৰণ কি? বঙ্গদেশৰ বৈষ্ণৱ কবি সকলে ব্ৰজাৱলী

ব্যৱহাৰ কৰা সম্বন্ধে আলোচনা কৰি ৰায় বাহাদুৰ ডাক্তৰ দীনেশচন্দ্ৰ সেন আৰু ৰায়বাহাদুৰ খগেন্দ্ৰ নাথ মিত্ৰ মহাশয়ে কয় যে, যাতে উত্তৰ ভাৰতৰ এটায়ে গীত পদবোৰ বুজিব পাৰে তাকে লক্ষ্য কৰি বঙ্গালী কবি সকলে তেওঁলোকৰ ৰচনাত ব্ৰজাৱলী মিহলাইছিল। আন প্ৰদেশৰ কবি সকলে যি উদ্দেশ্যেৰে ব্ৰজাৱলী নিমিহলাওক আমাৰ কবি সকলৰ উদ্দেশ্য একেবাৰে বেলেগ আছিল বুলি আমাৰ বিশ্বাস।

আমি আগেয়ে কৈছো যে আমাৰ নাটক বিলাকত বাজে আন কতো ব্ৰজাৱলী পোৱা নাযায় আৰু আমাৰ নাটকবোৰ সংস্কৃত নাটকৰ আহিৰে লিখা। সংস্কৃত নাটকৰ ভাষা সম্বন্ধে ধনঞ্জয়ৰ "দশৰূপত" কৈছে যে নাটকত উচ্চতৰপৰ মানুহৰ মুখত সংস্কৃত, আৰু সাধাৰণতে তলৰ শ্ৰেণীৰ মানুহৰ মুখত সৌৰসেনী আৰু মাগধী প্ৰাকৃত দিয়া হয়। গতিকে সংস্কৃত নাটকত সৌৰসেনী আৰু মাগধী ভাষা চলিয়েই আছিল। মহাপুৰুষ শঙ্কৰদেৱে যেতিয়া নাটক ৰচনা কৰিলে সেই নাটকতো দেশীয় অৰ্থাৎ অসমীয়া ভাষাৰ লগত সেই সৌৰসেনী বা মাগধী ভাষা ভাঙ্গি ছিঙ্গি মিহলোৱা একো অচৰিত কথা নহয়। কিয়নো তেতিয়া কোনো দেশীয় ভাষাত নাটকৰ আদৰ্শ নাছিলেই। মহাপুৰুষে নাটকত ব্ৰজাৱলী মিহলোৱাৰ দ্বীতিয় কাৰণ, নাটকৰ অভিনয়লৈ দৰ্শকৰ ভক্তি আৰু শ্ৰদ্ধা বঢ়োৱা। নাটকৰ

উদ্দেশ্য ধৰ্ম্ম প্ৰচাৰ কৰা আৰু সেইগুণে এটাইবিলাক নাটক ধৰ্ম্ম সম্বন্ধীয়। সেই নাটকৰ অভিনয়ত দেৱ দেৱী সকল ওলাই সাধাৰণ মানুহে কোৱা মাতেৰে কথা কলে সৰ্ব্বসাধাৰণৰ সেই সকলৈলে ভক্তি আৰু শ্ৰদ্ধা কমি যাব পাৰে, গতিকে সাধাৰণে নোকোৱা ভাষা তেওঁবিলাকৰ মুখত দিব লাগে। সংস্কৃত অৱশ্যে ঠিক হল হেতেন, কিন্তু সংস্কৃত দিলে ইফালে দৰ্শকে নুবুজা হয় আৰু নাটকৰ উদ্দেশ্য বিফল হয়। গতিকে এনে এটা মাত দিব লগা হল, যি সকলোৱে সহজে বুজে অথচ সাধাৰণৰ মাত নহয়। ব্ৰজাৱলীৰেই এই দুয়োটা উদ্দেশ্য সিদ্ধি হল। বিশেষ ব্ৰজাৱলী পৱিত্ৰ ব্ৰজধামৰ ভাষা, গতিকে বৈষ্ণৱৰ পক্ষে ইয়ো দেৱভাষাৰ তুল্য। ভাষাটিও শুনিবলৈ মিঠা। যদিও আমাৰ দেশত এই ভাষাক ব্ৰজাৱলী বোলে, প্ৰকৃততে এই ভাষা ব্ৰজধাম অৰ্থাৎ মথুৰা বৃন্দাবন অঞ্চলৰ ভাষা নহয়। হিন্দুস্থানত পশ্চিম হিন্দি আৰু পূৰ্ব্ব হিন্দি বুলি দুৰকম ভাষা কোৱা হয়। কনৌজ, মথুৰা আদিত পশ্চিম হিন্দি চলে, অযোধ্যাৰ পূৰৱে পৰা মিথিলা অৰ্থাৎ বিহাৰলৈকে পূৰ্ব্বহিন্দি কোৱা হয়। আমি পণ্ডিত শ্ৰীযুক্ত অম্বিকাচৰণ বাজপাই মহোদয়ৰ লগত আলোচনা কৰি বুজিব পাৰিলোঁ আমাৰ নাটকবিলাকত যি হিন্দি মিহলি আছে সি পূৰ্ব্ব-হিন্দিহে পশ্চিম-হিন্দি নহয়। গতিকে এই ভাষাক ব্ৰজাৱলী নবুলি মৈথিলীহে বুলিব পাৰি। যদিও আমাৰ

নাটক বিলাকত ব্ৰজাৱলী মিহলোৱা হৈছে, শব্দ পাতনিত আৰু আন আন বিষয়তো অসমীয়া ব্যাকৰণ মানি চলিছে, গতিকে ই আমাৰ নিভাজ অসমীয়া।

মহাপুৰুষ শঙ্কৰদেৱে নাটক ৰচনা কৰাৰ পাচত, তেওঁৰ আহি লৈ আমাৰ দেশত বহুত নাটক ৰচনা হৈছে। শঙ্কৰ-দেৱৰ জীৱন কালতে জগৎগুৰু মাধৱদেৱে দধিমথন নাট ৰচনা কৰে আৰু সেই নাটৰ অভিনয়ত গুৰুজনে নিজে নন্দৰ ভাও লোৱা বুলি চৰিতপুথিত আছে। অনেক সত্ৰত এনে এটা নিয়ম হৈ পৰিছিল যে নতুনকৈ সত্ৰাধিকাৰ এজনা হলেই তেওঁ এখন নাটক ৰচনা কৰে। গতিকে আমাৰ দেশৰ সত্ৰই সত্ৰই বহুত ভাল ভাল নাট ৰচনা হৈ পৰি আছে। আমি জনাত অকল দিহিং সত্ৰতেই সত্ৰাধিকাৰ সকলে ৰচনা কৰা নাটক এই কেইখন,—৺ভকতৰঞ্জন দেৱৰ শক্তিশেল ১৭০১ চনত লিখা, ৺কৈবল্য-নন্দনদেৱৰ ১৭৪৭ চনৰ পৰা ১৭৮২ চনৰ ভিতৰত লিখা, কংসবধ, ৰামজন্ম, পুতনাবধ, ধেনুকাসুৰ বধ, মৃত্তিকা ভক্ষণ; প্ৰেম ভূষণদেৱৰ গোপীহৰণ, আৰু বল্লভচন্দ্ৰদেৱৰ স্যমন্ত-হৰণ। এই দৰে আন আন সত্ৰতো অনেক সুন্দৰ সুন্দৰ নাট পৰি আছে। এই এটাই বিলাক নাটক গোটাই প্ৰকাশ কৰিলে যোল্ল শতিকাৰে পৰা আমাৰ পুণ্যভূমি অসমত নাট্য সাহিত্যৰ কেনেকৈ ক্ৰমবিকাশ হৈছিল দেখা যাব। উত্তৰ ভাৰতৰ আৰু কোনো দেশীয় ভাষাত ইমানবোৰ

এনে ওখতৰপৰ নাটক নাই। এইবিলাক উলিয়াই দিলে আমাৰ দেশৰ আৰু সাহিত্যৰ গৌৰৱ বাঢ়িব। আশাকৰো আমাৰ উঠি অহা শিক্ষিত ডেকা সকলে এই বিলাকলৈ চকু কৰিব।

ৰুক্মিণীহৰণ নাটত পূৰ্ব্বৰাগ, বিৰহ, মিলন আৰু মিলন ভঙ্গৰ আশঙ্কা এই আটাইকেইটা ৰসৰ সমাবেশ। নায়ক নায়িকা দুয়োৰো পূৰ্ব্বৰাগ সুন্দৰকৈ অঁকা হৈছে। ৰুক্মিণীৰ বিৰহৰ অৱস্থাৰ বৰ্ণনা বঙ্গদেশৰ বৈষ্ণৱ কবি-সকলৰ ৰাধাবিৰহৰ বৰ্ণনাতকৈ কোনো গুণে হীন নহয়। মিলনত নায়ক নায়িকাৰ আনন্দ সুন্দৰকৈ ফুটি ওলাইছে। পাচত ৰুক্মিণীৰ মিলন ভঙ্গৰ আশঙ্কা আৰু শ্ৰীকৃষ্ণৰ নিজৰ বীৰত্বৰ প্ৰভাৱ দেখুৱাই দিয়া আশ্বাস, নাটকত সুন্দৰকৈ খাপ খাইছে। ৰুক্মিণীৰ চৰিত্ৰত তিৰুতাৰ চৰিত্ৰৰ ডাঙৰ গুণ ধৈৰ্য্যশীলতা সুন্দৰকৈ দেখুৱা হৈছে। যেতিয়া শ্ৰীকৃষ্ণলৈ বিবাহ দিয়া নহয়, আৰু শিশুপালক দৰা অনা হৈছে বুলি ৰুক্মিণীয়ে শুনিলে, তেওঁ ধৈৰ্য্যহীনা নহৈ নিজে ভাবি উপায় স্থিৰ কৰিলে আৰু বেদনিধিক মাতিবলৈ পঠিয়ালে। কিন্তু বঙ্গালী কবিৰ ৰাধাবিৰহত, ৰাধা বাউলী, নিজৰ ভাবিবলৈ একো শক্তি নাই, সকলো ভুল কৰিছে, সখীসকলেহে উপদেশ দি চলাইছে। শেষত স্ত্ৰীচৰিত্ৰৰ উদাৰতা গুণো ৰুক্মিণীৰ গাত ভালকৈ দেখুৱা হৈছে। যি ৰুক্মীয়ে শিশুপালক দৰা অনাত ৰুক্মিণীয়ে আত্মহত্যা

কৰিবলৈ ওলাইছিল, সেই ৰুক্মীক শ্ৰীকৃষ্ণই বধ কৰে বুলি ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ আগত আঠুলৈ চকুৰলো টুকি, আঁচল পাতি ৰুক্মীৰ প্ৰাণ ভিক্ষা মাগিছে। নায়ক, নায়িকা, ৰুক্মী, বেদনিধি, ৰজাভীষ্মক সকলোৰে গাত দেশীয় চাব দিবলৈ চেষ্টা কৰা হৈছে অৰ্থাৎ অসমীয়া চৰিত্ৰ কৰি তুলিবলৈ যত্নৰ ক্ৰুটী হোৱা নাই। শেহত দ্বাৰকাত পতা শ্ৰীকৃষ্ণৰ বিয়াখোন এখন সম্পূৰ্ণ অসমীয়া বিয়া।

ৰুক্মিণীহৰণ নাটৰ গীত কেইটা অসমীয়া সাহিত্যৰ অনুপম বস্তু। ভাষাৰ লালিত্য, উপমাৰ মিল, ভাবৰ সামঞ্জস্য, সকলো বিষয়তেই ই অতি ওখথাপৰ। বেদনিধি অহাত তেওঁৰ কপালৰ ৰেঘা, পিন্ধা নিকা কাপোৰ আদি বৰ্ণোৱা সুন্দৰ হাঁহিউঠা গীত; আকৌ শ্ৰীকৃষ্ণৰ লগত ৰজা সকলৰ যুদ্ধৰ সময়ৰ গীতত, ঠিক ৰণৰ বাজনাৰ নিচিনা বাজিযোৱা ভাষা, বিৰহৰ সময়ৰ গীতত ৰুৰুণ ৰসৰ মিহি ভাষা; সেই অনুৰূপে উপমা আৰু তাল মান। আমাৰ বিশ্বাস অসমত এই গীতবিলাকৰ ৰাগ ৰাগিনী ঠিককৈ গোৱা নাহয়। ৰাগ তাল দুয়োটা নিভাজ সংস্কৃত অৰ্থাৎ হিন্দু সঙ্গীত শাস্ত্ৰৰ। এই ৰাগ ৰাগিনীবিলাক হিন্দুস্থানত ঠিককৈ গোৱা হয়। সেই গায়ক সকলৰ মুখে এই ৰাগ ৰাগিনীবোৰ শিকিলেহে এই গীতবোৰ ঠিককৈ গোৱা হব পাৰে। এই বিষয়েও আমি আমাৰ দেশৰ সঙ্গীতজ্ঞ ডেকা সকললৈ অঙুলীয়ালো।

আমাৰ এই পাতনিখন যুগুত কৰাত আৰু পুথিৰ নকল মিলোৱাত দিহিং সত্ৰৰ পৰম পূজনীয় সকজনা গোসাঁই আতা পুৰুষ, সুন্দৰীদিয়া সত্ৰৰ পণ্ডিত শ্ৰীযুত কৃপানাথ ভাগৱতী দেউ আৰু আমাৰ সাহিত্যৰথী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ পৰা অশেষ সহায় আৰু উপদেশ পোৱা হৈছে, তেৰা সকলৰ সহায় নোপোৱাহলে আমাৰ পক্ষে সুদূৰ বিদেশত থাকি এই পুথি সম্পাদন কৰিবলৈ গাত লোৱাই সম্ভৱ নহল হেতেন। এই থিনিতে তেৰা সকলৈ আমাৰ কৃতজ্ঞতাৰে ভক্তি আৰু শ্ৰদ্ধাৰ আঁজলী আগ বঢ়ালো।

পুথিৰ শেহত এখন টিপনী দিয়া হৈছে, তাত কিছুমান ব্ৰজাৱলী শব্দৰ অৰ্থ দিয়াহল। যদি কোনোৱে তাত ভুল দেখে অনুগ্ৰহ কৰি আমাক জনালে বাধিত হম আৰু শীঘ্ৰে শুধৰাবলৈ যত্ন কৰা হব।

চিনেট-হাউচ
কলিকাতা ইউনিভাৰ্সিটি
কলিকাতা
১৪-৮-৩২

শ্ৰীঅম্বিকানাথ বৰা।

## ভাওৰীয়া সকলৰ নাম

### সূত্ৰধাৰ আৰু সঙ্গী

### মুনিহ।

ভীষ্মক—কুণ্ডিণৰ ৰজা।

ৰুক্মী—ভীষ্মক ৰজাৰ কোৱঁৰ আৰু ৰুক্মিণীৰ ককায়েক।

শিশুপাল—চেদিৰাজ্যৰ ৰজা।

শ্ৰীকৃষ্ণ—দ্বাৰকাৰ যাদৱ।

বেদনিধি—কুণ্ডিণৰ পুৰোহিত বামুণ, ৰুক্মিণীৰ মিত্ৰ।

দাৰুক—শ্ৰীকৃষ্ণৰ ৰথৰ সাৰথি।

উদ্ধৱ—শ্ৰীকৃষ্ণৰ ভক্ত আৰু লগৰীয়া।

হৰিদাস—দ্বাৰকাৰ মগনীয়া ভাট।

সুৰভি—কুণ্ডিণৰ মগনীয়া ভাট।

ব্ৰহ্মা, নাৰদ, দ্বাৰি, ৰজাসকল, জ্ঞাতীসকল, বিয়া চাবলৈ অহা লোক সকল।

### তিৰোতা।

ৰুক্মিণী—ভীষ্মক ৰজাৰ কন্যা।

শশীপ্ৰভা—ভীষ্মক ৰজাৰ পাটমাদৈ।

মদনমঞ্জৰী আৰু লীলাৱতী—ৰুক্মিণীৰ সখী।

দৈৱকী, আয়তীসকল, ৰুক্মিণীৰ দাসীবোৰ।

---

3--1594B.

# ৰুক্মিণী-হৰণ নাট।

শ্লোক

যৎপাদপঙ্কজৰজঃ শিৰসা সুৰেশাঃ
শৰ্ব্বাদয়ো দিবিষদোঽতিমুদোদ্বহন্তি।
যৎকীৰ্ত্তনাৎ কলিমলং মনুজাস্ত্যজন্তি।
কৃষ্ণস্য তস্য চৰণং শৰণং ব্ৰজামঃ॥

চৈদ্যাদীন্নৃপতীন্ বিজিত্য তৰসা যেনাহৃতা ৰুক্মিণী,
যেনাজৌ বিনিৰ্জ্জিত্য দুৰ্জ্জয়ৰিপূ ৰুক্মী বিৰূপীকৃতঃ।
বৈদৰ্ভীং বিধিবদ্বিবাহমকৰোদ্ যো দ্বাৰবত্যাং মুদা,
তস্মৈ শ্ৰীপৰমাত্মনে ভগৱতে কৃষ্ণায় কুৰ্ম্মো নমঃ॥

গীত—ৰাগ সুহাই মান একতালি।

জয় জগ জীৱন মুৰাৰু।
পাৰে পৰণাম হামাৰু॥
পদ—পঞ্চমুহে[১] যাহে[২] স্তুতি বুলি।
শিৰে হৰ ধৰ পদধূলি॥

যাহে সুৰাসুৰ কৰু সেৱা।
সোহিং মোহিং গতি দেৱ দেৱা ॥
ৰিপু নৃপসৱ যোহিং জিনি।
হৰল হৰষে রুকমিণী ॥
কৰল বিবিধ বিলাসা।
কহতু শঙ্কৰ হৰিদাসা ॥

নান্দ্যন্তে সূত্ৰধাৰঃ—অলমতি বিস্তৰেণ। প্ৰথমং মাধৱো মাধৱেত্যুচ্চাৰ্য্য নত্বা নাৰায়ণং সভাসদান্ সম্বোধ্যাহ ( সূত্ৰধাৰ সঙ্গীসহ )

সূত্ৰ—ভো ভোঃ সভাসদাঃ সাধু শৃণুধ্বং শ্ৰদ্ধয়াধুনা।
রুক্মিণীহৰণং নাম নাটকং মুক্তিসাধকম্ ॥

ভটিমা।

জয় জয় যাদৱ দেৱ।
আদি অন্ত নপাৱন্ত কেৱ।
যাকেৰিং চৰণ সৰোৰুহ ব্ৰহ্মা
শঙ্কৰ কৰুং নিত্য সেৱ ॥ ১

যোহি ভয়োং অৱতাৰ।
হৰলি ভূমিকু ভাৰ।
ধয়লিং নৰসিংহ মূকতি দাৰুণ
হিৰণ্যক হৃদয় বিদাৰ ॥ ২

নিৰমিয়ে সয়ল[১০] সংসাৰ।
কৰত বিবিধ বিহাৰ।
যো ব্ৰহ্মাণ্ড ভাণ্ড ভেদল,
পদ নখ পৰশ প্ৰহাৰ॥ ৩

কলি মল মোচন চিত্ৰ।
যাহেৰি[১১] পৰম চৰিত্ৰ।
পদ পঙ্কজ ৰজ পৰশনি গঙ্গা
ভুবনৰ কৰয় পবিত্ৰ॥ ৪

অঘ, বক, ধেনুক মাৰি।
কংশ, কেশী অন্তকাৰী।
মধু, মুৰ, নৰক নিবাৰণ, বাৰণ
কুবলয় জীৱন হাৰী॥ ৫

ইন্দ্ৰ দৰপ কৰু চূৰ।
ব্ৰজজন ভয় ভেলি দূৰ।
ৰাস বিলাস হাস পৰিৰম্ভন[১২]
গোপী মনোৰথ পূৰ॥ ৬

মৰ্দ্দিয়ে বিষধৰ কালি।
যমুনা হ্ৰদ নিকালি[১৩]।
কুবুজা কাম মনোৰথ পূৰণ
ৰৰদ ৰৰদ বনমালী॥ ৭

যাকেৰি এ গুণ নাম।
জগজন পূৰণ কাঁম ॥
পাপী পাপ পৰাভৱ ভঞ্জে[11]
যো মুহে লেহি[12] অবিৰাম ॥ ৮

সোহি কৃষ্ণক নাটক।
পাপ মূল উতপাতক।
শুন সাধুজন যাকেৰি ইচ্ছা
যাইতে বৈকুণ্ঠ বাটক ॥ ৯

কৃষ্ণ চৰিত্ৰ অতি সাৰ।
ৰুকমিণী হৰণ বিহাৰ।
তাহে শুনিতে ভণিতে পাৱত
পাপ পয়োনিধি[13] পাৰ ॥ ১০

ভো ভো সাধু সভাসদ।
আৰে মৰণ মহা আপদ।
জানহ কৃষ্ণ চৰিত্ৰ মৃত্যু তাৰেক
কাৰক মুকতি সম্পদ ॥ ১১

ধৰমক ৰাজা নাম।
জানি নকৰ বিৰাম।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহই
ডাকি বোলহু ৰাম ৰাম ॥ ১২

ভো ভো সভাসদ ! সাধুজন যে জগতক পৰম গুৰু নাৰায়ণ, যাহেৰি অংশ অৱতৰি বাৰম্বাৰ ভূমিক ভাৰ হৰয়, সোহি ভগৱন্ত শ্ৰীকৃষ্ণ সাক্ষাতে আপুনি অৱতৰি ওহি[১৭] সভামধ্যে ৰুক্মিণী হৰণ বিহাৰ নৃত্য পৰম কৌতুকে কৰব, তাহে সাৱধানে দেখহ শুনহ। প্ৰথমে উদ্ধৱ সহিত শ্ৰীকৃষ্ণক প্ৰবেশ, তদনন্তৰ সখীসৱ সহিতে ৰুকমিণীৰ প্ৰবেশ। ইতি জ্ঞাত্বা সৱে সাৱধানে থাক। ( পুনঃ সূত্ৰধাৰঃ আকাশে কৰ্ণংদত্বা সঙ্গীক বোল ) হে সঙ্গী কি বাদ্য শুনিয়ে।

সঙ্গী বোল—সখি দেৱ দুন্দুভি বাজত।

সূত্ৰ—আহে দেৱ দুন্দুভি বাজত, আঃ সে পৰমেশ্বৰ শ্ৰীকৃষ্ণ মিলল মিলল।

## শ্লোক

প্ৰবেশমকৰোৎ কৃষ্ণঃ স্বকান্ত্যা কামকোটিজিৎ।
জগতাং জনকো ধাতা সোদ্ধৱঃ সাধুবান্ধৱঃ॥

আহে সভাসদ ! যাকৰ কথা কহইছি[১৮] সোহি শ্ৰীকৃষ্ণ উদ্ধৱ সহিত আৱত এ আৱত। ( ইতি সঙ্গী নিষ্ক্ৰান্তঃ )

গীত—ৰাগ সিন্ধুৰা—একতালি মান

অয়ে জগত গুৰু কয়ো পৰবেশ।
জিনিয়ে কাম কৌটি নটবৰ[১৯] বেশ॥

• পদ—শ্যামল তনু পীত অম্বৰু[20] লাসা[21] ।
বদন ইন্দুৰুচি[22] ঈষত হাসা ॥
নয়ন পঙ্কজ, ভুজ লম্বিত জানু ।
কণ্ঠ কৌস্তুভ নৱ শোভিত ভানু ॥
হাৰ মুকুট মণি কুণ্ডল ডোলে ।
চৰণ পঙ্কজ মণি মঞ্জীৰ[23] ৰোলে[24] ॥
শশধৰ কোটি কান্তি পৰকাশা ।
শঙ্কৰ কহ ওহি কেশৱ দাসা ॥

সূত্ৰ—ওহি প্ৰকাৰে শ্ৰীকৃষ্ণ প্ৰবেশ কয়কহো[25] সভাত এক পাশ হুয়া ৰহল। তদনন্তৰ ৰুকমিণীক প্ৰবেশ শুনহ। ( সঙ্গী প্ৰবেশ ) হে সঙ্গি, কি বাদ্য বাজত ?

সঙ্গী বোল—অয়ে দেৱ বাদ্য বাজত ।

সূত্ৰ—আঃ সে গোসানী ৰুকমিণী মিলল মিলল অয়ে লোক দেখহ ।

শ্লোক—ৰুক্মিণী কাৰয়ামাস প্ৰবেশং সখীসংযুতা ।
মোহয়ন্ হৰ্ষয়ন্ চাৰু ৰূপলাৱণ্যকান্তিভিঃ ॥

সখী সব সহিত সে ৰুকমিণী যৈচে প্ৰবেশ কয়ল,[26] তা দেখহ শুনহ, নিৰন্তৰে হৰিবোল হৰিবোল ।

গীত ৰাগ সুহাই—মান একতালি

আৱত রুকমিণী কয় পয়সাৰ[২৭]।
সখা সব সঙ্গে ৰঙ্গে কৰত বিহাৰ ॥
পদ—ঈষত হসিত মুখ চান্দ[২৮] উজোৰ[২৯]।
দশন মোতিম[৩০] যৈচ[৩১] নয়ন চকোৰ[৩২] ॥
মাণিক মুকুট কুণ্ডল গণ্ড ডোল।
কনক পুতলী তণু নীল নিচোল[৩৩] ॥
কৰ কঙ্কণ কেয়ূৰ[৩৪] ঝণকাৰ।
মাণিক কাঞ্চি[৩৫] ৰচিত হেমহাৰ ॥
চলাইতে চৰণ মঞ্জীৰ করু ৰোল।
রূপে ভুৱন ভুলে শঙ্কৰ বোল ॥

( সখী লীলারতী, সখা মদনমঞ্জৰী সহিত রুক্মিণীৰ প্ৰবেশ )

সূত্ৰ—আহে লোকাই সে গোসানী দেৱী রুকমিণী ঐচন[৩৬] প্ৰবেশ কয়কহো নৃত্য কয় একপাশ হুয়া ৰহল।

( ভিক্ষুকৰ প্ৰবেশ )

হে সমাজিক লোক তদনন্তৰ প্ৰস্তুত কথা শুনহ; সুৰভি নামে এক ভিক্ষুক ভাট কুণ্ডিণ নগৰিহন্তে দ্বাৰকাপুৰ প্ৰবেশ কয়কহো কৃষ্ণক ভেট পাৱল। তাহে দেখিয়ে শ্ৰীকৃষ্ণ বাত[৩৭] পুচত। কৃষ্ণ বোল।

শ্রীকৃষ্ণ—( কথা ) অয়ে ভিক্ষুক তোহো কোথা হন্তে আৱলি[৩৮] থিক ?

সূত্র—শ্লোক—কস্ত্বং কস্মাদিহায়াতঃ পৃষ্টঃ কৃষ্ণেন
ভিক্ষুকঃ।
প্রত্যাহ কুণ্ডিনান্নাথ ত্বান্দিদৃক্ষুৰিহাগতঃ ॥
ভিক্ষুক বোল।

ভিক্ষুক—হামো সুৰভি নাম ভাট, কুণ্ডিণ হন্তে তোহাক দৰশন নিমিত্তে হেথা আৱল থিক। আঃ তোহাক অপৰূপ ৰূপ সম্পতিক মহিমা কি কহব, হে স্বামি কৃষ্ণ হামাৰ ৰাজ নন্দিনী ৰুকমিণী যব তোহাৰ গৃহিণী হয় তেবে তৱ গৃহবাস সফল হয়। সে ৰুক্মিণীক ৰূপগুণ কিছো কহব, তা শুনহ।

ভটিমা।

পৰি পুনু ভাট চপয়[৩৯] কহ বাণী।
কৃষ্ণক আগু ৰূপ গুণ বখানি ॥
জয় যদু নন্দন দেৱক দেৱ।
তোহাৰি চৰণে কৰহু বহু সেৱ ॥
তোহি মহিমাক কহত নাহি অন্ত।
পূৰল পৰম কীৰিতি দিগন্ত ॥

তেহো সম পুরুষ কতিহুঁ নাহি পাই।
শুন মহ[৪০] বচনেক বোলোহোঁ গোসাঁই॥
হামাক কুণ্ডিণ নগৰী অনুপাম।
আছে কন্যা এক রুকমিণী নাম॥
ভীষ্মক ৰাজ নন্দিনী বৰ বালা।
বাঢ়য় জিনি নব চান্দক কালা॥
কি কহব ৰমণীক ৰূপ পৰচূৰ।
বয়নক পেখি চান্দ ভেলি দূৰ॥
নয়নক পেখি পায় বৰ লাজ।
কয়ল ঝাম্প কমল জল মাজ॥
বন্দুলী অধিক অধৰ করু কান্তি।
ওতিম[৪১] মোতিম দশনক পান্তি॥
সুবলিত ভুজ যুগ ৰতন মোলান।
উরু কৰিকৰ কটি ডমরুক ঠান॥
নৱ পল্লৱ রুচি পদ যুগ শোহে[৪২]।
পেখিতে[৪৩] সুৰ নৰ মুনি মন মোহে॥
বাণী অমিয়া ৰসগুণে নোহে হীন।
ৰাজ কুমাৰীক বয়স নবীন॥
কতনু যতনে বিধি কয়ল নিৰমাণ।
সে কন্যা হয় তোহাৰি সমান॥
কহোল স্বৰূপ অৱ বচন বিচাৰি।
হোৱয় গৃহিনী যব রুকমিণী নাৰী॥

তৱ গৃহ বাস সফল হয় নাথ।
কহল ভাট উপৰ তুলি হাত ॥
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল।
কৰু অৱ নবসৰ হৰি হৰি বোল ॥

সূত্র—তদনন্তৰ রুক্মিণীক ৰূপ গুণ শুনিয়েকহো শ্রীকৃষ্ণ হেঠমাথ কয় ঘন ঘন নিশ্বাস ফোকাৰল, রুক্মিণীক মাত্র ধ্যান কয় ৰহল। শ্রীকৃষ্ণ উদ্ধৱক বোলল।

শ্রীকৃষ্ণ—হে সখা ওহো ভল্ল ভট, উনিকৰ মন পুৰিয়ে বহুত পৰসাদ দেহ।

সূত্র—তদনন্তৰ কৃষ্ণক আদেশে উদ্ধৱে বহু ধন ভাটক দেলহ। কৃষ্ণক পৰসাদ পায়া চিৰঞ্জীৱ চিৰঞ্জীৱ গোসাঞি বুলি স্তুৰতি সন্তোষে দেশে গেল।

শ্লোক—শ্রুত্বা ভিক্ষুমুখাৎ কৃষ্ণো রুক্মিণ্যা ৰূপমদ্ভুতম্।
তামেৱ সততং ধ্যায়ংস্তস্থৌ ব্যাকুলমানসঃ ॥

ভিক্ষুক মুখে রুক্মিণীৰ ৰূপ গুণ শুনিয়ে শ্রীকৃষ্ণ আন চিন্তা সৱ ছোড়িয়ে ৰাত্রি দিৱসে রুক্মিণীক যৈচে ধ্যান কয় ৰহল, তা দেখহ শুনহ, অয়ে লোক নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ ধন শ্ৰী—একতালি

প্ৰিয়াকেৰি কাহিনী শুনিয়ে মুৰাৰি।
বিৰহে দহন চিত্ত আকুল কিঙ্কিত
মানস মদন বিগাৰি৩৩ ॥
পদ—জগত নিবাস শ্বাস ঘন ফোকাৰে
চিন্তিতে ৰুকমিণী নাৰী।
কমন উপায়ে পাই পুনু পৰশন
দৰশন ৰাজ কুমাৰী ॥
গুণিতে কামিনী যামিনী যাই
নয়নে নিন্দ৩৭ নাহি আৰে।
দিৱস ৰজনী হৰি ৰহল ধিয়াই
কৃষ্ণ কিঙ্কৰ ৰস গাৱে ॥

সূত্ৰ—ওহি প্ৰকাৰে কৃষ্ণ প্ৰিয়াক বিৰহানলে আকুল হুয়া হা ৰুক্মিণী হা ৰুক্মিণী মাত্ৰ বাত ফোকাৰিকহো ৰুক্মিণীময় মাত্ৰ দেখিয়ে সৰ্ব্বথা ৰহল। কৃষ্ণক দুখ কি কহব। অয়ে লোক তদনন্তৰ ৰুক্মিণাক বৃত্তান্ত শুনহ। দ্বাৰকা হন্তে হৰিদাস নাম এক ভিক্ষুক ভাট কুণ্ডিণ গিয়া ৰাজ নন্দিনী ৰুক্মিণীক দৰশন ভেল, তাহে দেখিয়ে বাত পুচল। ( ৰুক্মিণী বোল )

ৰুক্মিণী—অয়ে ভিক্ষুক তুহু কে, কোথা হন্তে আৱলি থিক ?

সূত্র—শ্লোক—

কো ভবানিহ সম্প্রাপ্তঃ পৃষ্টো ভিক্ষুৰভাষত।
দ্বাৰকানগৰাৎ প্রাপ্তঃ প্রার্থকোঽহং নৃপাত্মজে॥

ভিক্ষুক বোল।

ভিক্ষুক—( কথা ) হামো দ্বাৰিকা নিবাসী হৰিদাস নাম ভিক্ষুক ভাট, হামাৰ সুদিবস তোহাক দৰশন ভেলো। আঃ তোহাক অপৰূপ ৰূপ সম্পত্তিক মহিমা কি কহব। হামাৰ দ্বাৰিকানাথ শ্রীকৃষ্ণ যেবে তোহাক স্বামী হয়, তেবে এ ৰূপ যৌৱন সফল হয়, হা হা, হে ৰাজ নন্দিনী সে শ্রীকৃষ্ণক ৰূপ গুণ কিছু কহোঁ, তা শুনহ।

ভটিমা।

শুন শুন ৰুকমিণী মাই।
হৰি গুণ কহন নযাই॥
মুখ ইন্দু কোটি পৰকাশ।
দশন মোতিম মন্দ হাস॥
নয়ন পঙ্কজ নৱ পাতা।
কৰ তল উতপল ৰাতা[১৭]॥
মদনক ধনু ভ্রুৱ ভঙ্গ।
ভুজ যুগ বলিত[১৮] ভুজঙ্গ॥
বহল বক্ষ সিংহ বন্ধ।
ত্রিবলি[১৯] বলিত কটি কন্ধ॥

উৰু কৰিকৰ অৱ ভাস।
মৃদু পদ পঙ্কজ বিকাশ॥
নখচয় চান্দক পান্তি।
পদতল আৰকত[৮০] ভান্তি॥
ধ্বজ[৮১] ব্ৰজ অঙ্কুশ শোহে।
পেখিয়ে ত্ৰিভুবন মোহে॥
অভিনৱ তৰুণ মূৰুতি।
কি কহব ৰূপক বিভূতি॥
গতি গম্ভীৰ মৃগৰাজ।
কোটি মদন হেৰি লাজ॥
তুহোঁ নৱ তৰুণী প্ৰধান।
সো হৰি নবীন যুৱান[৮২]॥
দুহো এক বয়স সমান।
কয়লি বিধি নিৰমাণ॥
ভুবন নিৰুপম ৰূপ।
শুন ধ্বনি[৮৩] বচন স্বৰূপ॥
যব তৱ পতি সোই হোই।
সফল জনম তেবে তোই[৮৪]॥
কহল ভিক্ষুক সৱ জানি।
কৃষ্ণ কিঙ্কৰ কহ বাণী॥
তেজু সামাজিক কাম।
ডাকি বোলহু ৰাম ৰাম॥

সূত্ৰ—তদনন্তৰ ভিক্ষুক মুখে কৃষ্ণক ৰূপ গুণ শুনিয়ে ৰুক্মিণীক মনে পৰম আনন্দ মিলল। অতি হৰিষে সখাক সম্বোধি বোলল। ( ৰুক্মিণী বোল )

ৰুক্মিণী—হে সখি মদনমঞ্জৰী ওহি ভল্ল ভাট, উনিকৰ মন পূৰিয়ে বহুবিধ পৰসাদ দেহ।

সূত্ৰ—দেৱীক আদেশ শুনিকহো মদনমঞ্জৰী বহুতৰ ৰজত ৰতন সুবৰ্ণ আনি ভাটক দেলহ, চিৰঞ্জীব চিৰঞ্জীব মাই বোলি উৎসুকে ভিক্ষুক ভাট নিজদেশে গেল। তদনন্তৰ ৰুক্মিণী ভিক্ষুক মুখে কথা শুনিএ মোহিত হুয়া শ্ৰীকৃষ্ণক স্বামী ভাৱে বৰল। কৃষ্ণ গ্ৰাহ৺ হৃদয়ে ধৰল। কৃষ্ণক চৰণ চিন্তি মাত্ৰ সৰ্ব্বথা ৰহল। আন চিন্তা সব ছোড়ল।

শ্লোক—কৃষ্ণস্য ৰূপলাৱণ্যশ্ৰৱণেন বিমোহিতা।
দধৌ তচ্চৰণাম্ভোজং ভজনীয়ং সতাং সতী॥

সে ৰাজকুমাৰী ৰুকমিণী কৃষ্ণক ৰূপ লাৱণ্য শুনিয়ে মোহিত হুয়া যৈচে কৃষ্ণ চৰণ চিন্তল, হে লোক তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ আশোৱাৰি—যৌতিমান।

কৈচন কেশৱ দৰশন হোই।
হৰি বিনে বিফল জনম সব মোই॥

পদ—বসতি দিগন্তৰ নাথ হামাক।
ভেণ্টে[৬৭] কমনে হোই স্বামী মুৰাক॥
হামু কিঙ্কৰী হৰি নাথ হামাৰ।
কহ শঙ্কৰ রুক্মিণীক ব্যৱহাৰ॥

সূত্ৰ—হে লোক দেখো, দেখো, রুক্মিণী ঐচন কৃষ্ণ চৰণ চিন্তিয়ে ৰহল। তদনন্তৰ রুক্মিণীক পিতা বৃদ্ধ ৰাজা ভিষ্মক পাত্ৰ মন্ত্ৰী জ্ঞাতীসৱক আনিকহো, যে বোলল তা শুনহ। (ভীষ্মকৰ জ্ঞাতীসব সহিত প্ৰবেশ।) ভীষ্মক বোল।

ভীষ্মক—আহে পাত্ৰ মন্ত্ৰী জ্ঞাতী সৱ, হামাৰ দুহিতা রুক্মিণী বিবাহক যোগ্য ভেল। কন্যাক সদৃশ বৰ কোন থানে থিক[৬৮]। সৱহি বিমৰিশ[৬৯] কয় বোল। হামো জানি এক দৈৱকী নন্দন বিনে কন্যাক সমান বৰ নাহি। যব সৱহি ভল্ল দেখহ তব স্বহস্তে কৃষ্ণক কন্যা দান কৰোঁ।

জ্ঞাতী সৱ—(কথা)—ধন্য ধন্য ৰাজা, আঃ তোহাক উত্তম মতি থিক। অপেক্ষা নাহি কৰব, পৰম পুৰুষ শ্ৰীকৃষ্ণক কন্যা দান কৰহ। পুৰুষ উদ্ধাৰ হৌক।

(শশীপ্ৰভাৰ প্ৰবেশ)

সূত্ৰ—সে ৰাজমহাদৈ শশীপ্ৰভা, তেহো স্বামীক বোলল। শশীপ্ৰভা বোল।

শশীপ্ৰভা—( কথা ) পৰম পুৰুষ শ্ৰীকৃষ্ণক কথা শুনিয়ে হামাৰো ওহি সন্মত, সে যতুনন্দনক আঁনিয়ে সত্বৰে কন্যা দান কৰহ।

সূত্ৰ—শ্ৰীকৃষ্ণক বিবাহ দিতে সরহি নিশ্চয় কয়ল।

শ্লোক—শ্ৰুত্বা সখীমুখাৎ সাক্ষাদ্বাৰ্ত্তামানন্দিতা সতী।
ৰুক্মিণী ক্ৰীড়য়ামাস স্মৃত্বা হৰিপদং হৃদি ॥

সমস্ত বৃত্তান্ত শুনিকহো লীলারতী সখী ৰুক্মিণীত কহল। লীলারতী বোল।

লীলারতী—( কথা ) সখি তোহাক মনোৰথ সিদ্ধি ভেল, শ্ৰীকৃষ্ণত বিবাহ দিতে নিশ্চয় কয়ল। স্বৰূপ জানল।

সূত্ৰ—তাহে শুনি ৰুক্মিণী আনন্দে যৈচে নাচয়ে লাগল, অয়ে লোক তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।

গাত—ৰাগ শ্ৰীগান্ধাৰ—যৌতি পৰিতাল।

সখি সুদিন ভয়োৰি।
নাচে যৈচন সখী সঙ্গে ৰঙ্গে গৌৰী ॥
পদ—পৰম পুৰুষ পীউ[৩০] ভেলি মুবাক।
জনম সফল সখি অৱহু[৩১] হামাক ॥
নাহি মোহি সম সৌভাগিনী শুন সই।
ৰুক্মিণীক ৰঙ্গ কৃষ্ণ কিঙ্কৰ কহই ॥

রুক্মিণী—( কথা ) আঃ ঈশ্বৰ শ্ৰীকৃষ্ণক স্বামী পাৱল। সখি হামাক সম সৌভাগিনী কোন থিক।

সূত্ৰ—ওহি বুলি রুক্মিণী পৰম উৎসুকে মনে নাচয়ে ৰহল থিক।

শ্লোক—ততো রুক্মী সভাং গত্বা গর্হয়িত্বাথ মাধৱম্।
গর্ব্বেণ খর্ব্ববাক্যেন কন্যাং দাতুং ন্যবাৰয়ৎ॥

তদনন্তৰ সে সভা মধ্যে আসিকহো রুক্মিণীক জেষ্ঠ ভ্ৰাতা রুক্মী নাম মন্দমতি, সে পাপী পৰম দৰ্পকয় বোলল। রুক্মী বোল।

রুক্মী—( কথা ) আঃ হামাৰ ভগিনী রুক্মিণীক কাহাক শকতি কৃষ্ণক বিবাহ দেৱব। সে যাদৱ অনাচাৰ, গোবধ, স্ত্ৰী বধ, মাতুল বধ, কত পাপ কয়ল থিক সে হামাৰ সম্বন্ধক যোগ্য হয় নাহি। অয়ে বৃদ্ধৰাজ! তুহো কিছো বুজয়ে নাহি, যে মহাৰাজ শিশুপাল, সে রুক্মিণীক যোগ্য বৰ হয়, নিশ্চে তাহেক বিবাহ দেৱব। হামো অঙ্গিকাৰ কয় বোলল।

সূত্ৰ—তনিকৰ বোল বাধয়ে নাহি পাৰি ভীষ্মক বোল।

ভীষ্মক—অয়ে পুতা! বিবাহ নিমিত্ত শিশুপালক সত্বৰ আনহ।

সূত্র—রুক্মী তাহে শুনিয়ে কৌতুকে দূত পাঞ্চিকহোঁ শিশুপাল প্রমুখ্যে ৰাজা সৱক অনায়ল, তা দেখহ শুনহ।

শ্লোক—নিশম্য রুক্মিণ্যুদ্বাহং শিশুপালাদয়ো নৃপাঃ।
গৃহীত্বা সশৰং চাপমাযযৌ কুণ্ডিনং প্রতি ॥

রুক্মিণীক বিবাহ কৰয়ে লাগি ৰাজাসৱ সহিতে যৈচে শিশুপাল আয়ল তা দেখহ শুনহ নিৰন্তৰে হৰিবোল।

গীত—ৰাগ কানড়া—পৰিতাল।

আৰে ৰাজসিংহ শিশুপাল।
হাতে তীৰ ধনু বীৰ বিশাল ॥
পদ—কৰে আড়ম্বৰ বাজনা বাজে।
চলে সঙ্গে সাজি ৰাজ সমাজে ॥
শিৰে কিৰীটী কুণ্ডল পৰকাশ।
কহতু শঙ্কৰ কৃষ্ণকু দাস ॥

সূত্র—সে ৰাজাসৱক ভীষ্মকে সন্মান কয়কহোঁ বাসা ঘৰ দিয়া ৰাখল।

তদনন্তৰ রুক্মিণীক সখী মদনমঞ্জৰী এসৱ বৃত্তান্ত জানিকহোঁ অতি সত্বৰে রুক্মিণীক সমীপ গৈয়াকহো জনায়ল। মদনমঞ্জৰী বোল।

মদনমঞ্জৰী—( কথা ) আহে প্ৰাণ সখি, বিষম বিপাক[৩২] মিলল তা শুনহ, তোহাৰি জ্যেষ্ঠ ভ্ৰাতা ৰুক্মী কুমাৰ, সে পাপী তোহাক শ্ৰীকৃষ্ণত বিবাহ দিতে নিষেধল। তোহাৰ নিমিত্ত শিশুপাল নৃপতিক বৰ অনাৱল। ইহা নিষ্টৈ জানি হামো জানাৱল। সখি যা যোগ্য তা কৰহ। হা হা প্ৰাণ সখি সে কৃষ্ণক স্বামী বঞ্চিত ভেলি। হা হা বিধিক বিড়ম্বন কি ভেল।

সূত্ৰ—শ্লোক—

নিশম্য বিপ্ৰিয়ং বালা ভীতা ভূমৌ পপাত সা।
ৰুৰোদ হৃদয়ে ধ্যায়ঞ্ শ্ৰীকৃষ্ণচৰণং চিৰম্॥

তদনন্তৰ পৰম বিপ্ৰিয়[৩৩] বাণী শুনিয়ে ৰাজনন্দিনীক মাথে যৈচে কলস ভাগল। শ্ৰীকৃষ্ণক নৈৰাশ্য শুনিএ দিশ দশ অন্ধিয়াৰি[৩৪] দেখিয়ে মূৰ্চ্ছিত হুয়া তৎকালে পৰল, যৈচে কদলিক বাতে[৩৫] উপাৰল[৩৬]। শ্ৰীকৃষ্ণক বিৰহতাপে ৰুক্মিণীক যৈচে অৱস্থা মিলল, তাহে দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—ৰাগ গোৰী—যৌতিমান

হৰি বিনে ৰমণী দেখই অন্ধিয়াৰি।
ৰহইনা দেহা বিৰহ ৰুক্ক নাৰা॥

পদ—ঘন ঘন মূৰছি পৰয় বৰ নাৰী।
ফোকাৰয় শ্বাস নয়ন জুৰে বাৰি॥
কৃষ্ণক চৰণ চিন্তিয়ে চিত লাই৮৭।
ঘন যদুনাথ জম্পয় পুনু মাত্রি॥
হৰিক নিৰাশে হ্রাস ভেলি দেহা।
শঙ্কৰ কহ ৰমণীক নব নেহা৮৮॥

সূত্র—তদনন্তৰ কৃষ্ণক বিৰহ তাপে তাপিত হুয়া ৰুক্মিণী ঘন ঘন কৃষ্ণ কথা জম্পই, দিশ দশ অন্ধিয়াৰি দেখিয়ে মূৰ্চ্ছিত হুয়া পৰল। তা দেখিএ সখী মদনমঞ্জৰী, সখী লীলাৰতী হাহাকাৰ কয আতি সত্বৰে বাহু মেলি ধৰল, শিৰে জল সিঞ্চল, আক্রোৰে বিঞ্চিকহো আশ্বাসে বোলল। সখী বোল।

মদনমঞ্জৰী লীলাৰতী—(কথা) হে প্রাণ সখি, সে পাপী শিশুপাল তোহাক নাহি পাৱে, কি নিমিত্ত আকুল ভেলি, সে ভকত বান্ধৱ মাধৱ তোহাক অৱশ্যে ৰক্ষা কৰব, ইহা জানি প্রাণ সখি স্বস্থ হৱ স্বস্থ হৱ।

সূত্র—শ্লোক—লপন্তী কৃষ্ণ কৃষ্ণেতি হৰেৰ্ব্বিৰহকাতৰা
ৰুৰোদ দুহিতা ৰাজ্ঞঃ সখীভিঃ সহিতা সতী॥

তদনন্তৰ ৰাজ নন্দিনী চেতন লভিয়ে হা কৃষ্ণ হা কৃষ্ণ বুলি দীৰ্ঘ নিশ্বাস ফোকাৰিয়ে ৰুক্মীক গাড়ি দেই। ৰুক্মিণী বোল।

রুক্মিণী—( কথা ) হে পাপী সোদৰ! তোহো সাত শত্রুতো অধিক ভেলি। প্রাণ কৃষ্ণ সহিত কৈচে৮০ হামাক বঞ্চিত কয়লি। তোহো জনমি কি নিমিত্ত নাহি মৰল।

সূত্র—ওহি বুলি রুক্মিণী সখী দোহো সহিত যৈচে কৃষ্ণক বিলাপ কয়ল তা শুনহ।

গীত—ৰাগ গান্ধাৰ—যৌতিমান।

হৰি হৰি হামাৰ কৰম কিনো ভেলি।
প্রাণ পীউ আশ কৈচন দূৰ গেলি॥
পদ—পাপী সোদৰ তোহো নাহি ভেলি নাশ।
দুর্লভ বল্লভ কৃষ্ণ কয়লি নৈৰাশ॥
জগ জন তাৰণ চৰণ যাহাক।
বঞ্চল কৈচন কৃষ্ণ বল্লভ হামাক॥
কৃষ্ণ চৰণ চিৰ যোহি কয়ো কাম।
দূৰ গেল সেহি মোহি বিহি৮১ ভৈল বাম।
নাহি নাহি ধৰব হৰি বিনে প্রাণ।
বিকলী৮২ রুক্মিণী কৃষ্ণ কিঙ্কৰ ভাণ॥

সূত্র—ঐচন বিলাপ কয় ৰাজ কুমাৰী মূৰ্চ্ছিত হু পৰল। সখীসৰে বোধ দিতে স্বস্থ হুয়া, আঞ্চোৰে আখি মুখ মুচিকহোঁ, নিশ্বাস ফোকাৰি বোলয়ে লাগল। রুক্মি বোল।

রুক্মিণী—( কথা )—ঐয়ে পাপী শিশুপাল, তোহো হামাক বিবাহ কৰিতে আয়ল। হা হা যৈচে সিংহক ভাৰ্য্যাক শৃগাল অভিলাষ কয়থিক। হা হা কৃষ্ণ বিনে হাম যব প্ৰাণ ৰাখব তব হামাৰ জীৱন ধিক ধিক। হে প্ৰাণ স্বামী কৃষ্ণ! তোহো ইসব বৃত্তান্ত নাহি জানহ তোহাক সমীপ কাহেক পঠাঞো।

সূত্ৰ—ওহি বুলি বালা হেঁঠমাথকয় চিন্তিতে এক মিত্ৰ ব্ৰাহ্মণক মনে পাৱল, সোৎসাহে সখীক বোলল। ৰুক্মিণী বোল।

ৰুক্মিণী—( কথা )—হে সখি লীলাৱতী তোহো সত্বৰে যাৱ। হামাক মহামিত্ৰ বেদনিধিক আন গিয়া। ( লীলাৱতী তৎকালে চললি )।

সূত্ৰ—শুনি লীলাৱতী তৎকালে চললি। কুমাৰীক কথা ব্ৰাহ্মণক জনায়ল।

শ্লোক—নিশম্য ত্বৰিতং প্ৰাগাদ্বাক্যং দেব্যা দ্বিজোত্তমঃ।
নাম্না বেদনিধিঃ খ্যাতো ৰুক্মিণ্যাঃ প্ৰিয়কৃত্তদা॥

ৰাজনন্দিনীক বাণী শুনিকহো বেদনিধি আয়ল, তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ কানাড়া—পৰিতাল।

আয়ত বেদনিধি দ্বিজৰাজ।
সাধিয়ে'' ৰাজ কুমাৰীক কাজ॥

পদ—ৰঞ্জে তিলক কপোলক চানি।
ধৌত বাস কুঁশ শোভিত পাণি ॥
চান্দক কান্তি দশন পৰকাশ।
কহ শঙ্কৰ ওহি কেশৱ দাস ॥

সূত্ৰ—তদনন্তৰ সে ৰাজকুমাৰী হেঠমাথে ক্ৰন্দন কয় থিক। নয়নক নীৰ বহি যাই। তাহে দেখি ব্ৰাহ্মণ বোলল। বেদনিধি বোল।

বেদনিধি—( কথা )—হে মাই ৰাজনন্দিনী কি অপমান মিলল। কি নিমিত্ত ক্ৰন্দন কয় থিক। হা হা হামাক শপত যব সত্বৰ কহ। হামু থাকিতে তোহাক কি মনচুখ থিক। হে মাতা! তাপ ছাড়হ।

সূত্ৰ—শ্লোক—নিশম্য তদ্বচো ৰামা বিনিঃশ্বস্য পুনঃ পুনঃ।
বিপ্ৰস্য চৰণং মূৰ্দ্ধ্না স্পৃষ্টা শোকাকুলাব্ৰবীৎ ॥

তদনন্তৰ ৰুক্মিণী আক্ৰোৰে আখি মুখ মুচি বিপ্ৰক জানু পাৰি প্ৰণাম কয়কহো বোলয়ে লাগল।

ৰুক্মিণী—( কথা )—হে গুৰো! হামু মৰি যাঞো। হামাত কি বাত পুছহ। যে শ্ৰীকৃষ্ণ স্বামীত চিৰকাল আশা কয় ছিল হা হা তাহেক হামাৰ পাপী সোদৰে দূৰ কয়ল। হামাক দিতে শিশুপাল নৃপতিক অনারল সে পাপীক দেখিতে জীৱ যাই। হে গুৰুবাপ! কি

কহব। তোহো যব দ্বাৰিকা পুৰ গিয়া শ্ৰীকৃষ্ণক আনিতে পাৰ, তবে হামাক প্ৰাণ দান দেৱ।

সূত্ৰ—শ্লোক—নিশম্য তদ্বচো বিপ্ৰো বিহস্যোবাচ রুক্মিণীম্।
কুমাৰি কুরু মা শোকং কা চিন্তা তে স্থিতে ময়ি॥

তা শুনি বেদনিধি বিহসি বোলল। বেদনিধি বোল।

বেদনিধি—( কথা )—আঃ হে মাই রুক্মিণি! কৃষ্ণক আনিতে কোন চিন্তা থিক। তপক মহিমায়ে আকাশক চন্দ্ৰ আনি দিতে পাৰি, হামু দ্বাৰকা এই চলল, যে-বাত থিক তা কহ।

সূত্ৰ—তা শুনিয়ে কুমাৰী কিছো স্বস্থ হুয়া বোলল। রুক্মিণী বোল।

রুক্মিণী—( কথা )—হে গুৰো শ্ৰীকৃষ্ণ স্বামীক চৰণে হামাৰ প্ৰথমে পৰণাম কহবি। তদন্তৰ হামাৰ দুখ নিবেদব, তোহাৰি কিঙ্কৰী রুক্মিণী ঐচন বোলল। হে স্বামী কৃষ্ণ! ভিক্ষুক মুখে তোহাক রূপ গুণ শুনিয়ে হামো কায়বাক্যমনে তোহাক পতি ভাবে বৰয়িছি। তথি শিশুপাল পাপী হামাক নিতে চাহে। জানি প্ৰাণনাথ সত্বৰ আসি হামাক ৰক্ষা কৰহ। তোহাক ছাড়ি হামাৰ গতি নাহি গতি নাহি।

গীত—ৰাগ অহিৰ—যৌতিতাল।

কেশৱ এ হামাকেৰি ৰাখহু প্ৰাণ।
নিজ কিঙ্কৰীক জীৱন দেহু দান॥
পদ—তৱ পদ পঙ্কজ জীৱন জগবাস।
কয়লো কমলনয়ন চিৰ আশ॥
বিপদ পয়োনিধি পৰলো মুৰাৰু।
দীন বান্ধৱ দেহ উদ্ধাৰ হামাৰু॥
পাপী শিশুপাল কাল ভেলি মেৰি।
তোহাৰি চৰণ শৰণ লেলো হৰি॥
গতি গোবিন্দ বিনে নাহি নাহি আন।
ৰুক্মিণী কৰুণা কৃষ্ণ কিঙ্কৰ ভাণ॥

ৰুক্মিণী—( কথা ) হে স্বামী কৃষ্ণ, শিশুপাল পাপী হন্তে নিজ দাসীক ৰক্ষা কৰি নিৱ আসিয়া। ( বিপ্ৰক বোল ) হে গুৰু হামাক এক গাছি খেড় কৃষ্ণক আগু দিয়া কাতৰ কয় সত্বৰে আনহ। যব বিলম্ব হয় কৃষ্ণত প্ৰাণ সুম্পিয়ে হামু মৰব। আঃ বিস্তৰ কি কহব। এক পতিয়া লেখি দেঞো, তাহেক নিয়া যাৱ। যৱ বিস্তৰ বিলম্ব হয়, হামু মৰব।

সূত্ৰ—ওহি বুলি ৰুক্মিণী স্বাক্ষৰে পত্ৰ লেখি ব্ৰাহ্মণক হাতে দেল। বেদনিধি হাত পাতি লেল। ৰাজ কুমাৰীক প্ৰবোধ বুলিয়ে বিপ্ৰ চলল। বেদনিধি বোল।

বেদনিধি—( কথা ) হে ৰাজনন্দিনি। কিছু চিন্তা নাহি কৰবি। একুতিলে কৃষ্ণক আনব। তোহো সুখে ৰহ।

সূত্ৰ—ওহি বুলি বিপ্ৰ দ্বাৰকা চলল। তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

পয়াৰ—ৰাগ শ্ৰী—পৰিতাল।

কুমাৰীক আশ্বাস বুলিয়ে বচন।
দ্বিজ দ্বাৰকাক লাগি কৰিলা গমন॥

পদ—ছাড়ল নগৰ গিৰি অৰণ্য অশেষ।
ভেল দ্বাৰৱতী পুৰী বিপ্ৰ পৰবেশ॥
মনোহৰ নগৰ সাগৰ মহ'ত থিক।
কৰ পৰকাশ সুৰ পুৰীক অধিক॥
জগত বিভূতি তথি ভেলি একুথান।
হৰি পুৰী দেখল কনক নিৰমাণ॥
দ্বাৰী দ্বাৰ পালক বোলয় পাই লাগ।
কুণ্ডিণক দ্বিজ হামু কহ কৃষ্ণ আগ॥
কৃষ্ণত হামাৰ থিক গোপ্য প্ৰয়োজন।
ৰামৈ ৰাম বোলহু হৰিসে সৰ্ব্ব জন॥

সূত্ৰ—তদন্তৰ দ্বাৰপাল গৈয়া কৃষ্ণক প্ৰণাম কয়ে বোলল। দ্বাৰপাল বোল।

দ্বাৰপাল—( কথা ) হে স্বামী কুণ্ডিণ হস্তে এক বিশিষ্ট বিপ্র হামাৰ দ্বাৰে ৰহয়ে থিক। কি আদেশ হয় নাথ ?

সূত্র—ওহি শুনি শ্রীকৃষ্ণ তৎকালে উঠিকহোঁ গৌৰৱে গৈয়া ব্রাহ্মণক প্রণামি, আলিঙ্গি ধৰিয়ে অভ্যন্তৰ পৰবেশ কৰাৱল। স্বহস্তে পাৱ পখালিয়ে পঞ্চামৃত ভুঞ্জাৱল। তদন্তৰ বিপ্র সুবর্ণ খাটত শুতল। শ্রীকৃষ্ণ নিজ হস্তে পাৱ মৰ্দ্দিয়ে শ্রম দূৰ কয়কহোঁ বাত পুছত।

শ্লোক—কুশলস্তৱ বিপ্রেন্দ্র কিমর্থমিহ চাগতঃ।
পবিত্রীকৃত্য চাস্মাকং ত্বৎপাদৰজসা গৃহম্॥

কৃষ্ণ বোল।

কৃষ্ণ—( কথা ) হে গুৰু তোহো কুশলে আৱল। তোহাৰি পদ ৰেণুৱে গৃহ সৱ পৱিত্র ভেল। তোহাৰি ভীষ্মক ৰাজা কুশল থিক ? স্বধৰ্ম্মে কি প্রজা পালয় ? হামু কোন প্রয়োজন সাধো তা আজ্ঞা কৰহ ?

সূত্র—শ্লোক—

এবং সম্ভাষিতো বিপ্রো নিশম্য সুৰভাষিতম্।
প্রহসংস্তং স প্রত্যাহ মাধৱং মধুৰাঙ্কিৰম্॥

তাহে শুনি বেদনিধি বিহঁস বোলল। বেদনিধি বোল।

বেদনিধি—( কথা ) হে স্বামী কৃষ্ণ তোহো জগতক পৰম ঈশ্বৰ। তোহাক এ আখিয়ে দেখল। আঃ অতঃপৰ হামাৰ কমন কুশল থিক। তোহো দৈবকী পুত্র নহি নহি। ব্রহ্মা মহেশ সেৱিত চৰণ শ্রীনাৰায়ণ, তোহো ভূমিক ভাৰ হৰণ নিমিত্ত অৱতাৰ ভেলি থিক। আঃ তোহাক মহিমা কি কহব। হামো যদৰ্থে আৱল তা শুনহ, হামাৰ বিদৰ্ভৰাজনন্দিনী রুক্মিণী ভিক্ষুক মুখে তোহাক ৰূপগুণ শুনিয়ে মনে স্বামী ভাবে বৰল। সে কন্যাক বিৱাহ কৰিতে পাপী শিশুপাল আৱল। তাহে দেখিয়ে সে ৰাজকুমাৰী দড়ায়িছে। আঃ হামু কি কহব। পতিয়া এক লেখি পঠাৱল থিক, তাহে দেখহ।

সূত্র—ওহি বুলি রুক্মিণীক পত্র কৃষ্ণক হাতে দেল। শ্রীকৃষ্ণ সাদৰে ধৰিয়ে মুদ'' ভাঙ্গল। বিপ্রক বোল। কৃষ্ণ বোল।

শ্রীকৃষ্ণ—( কথা ) হে গুৰু তোহোঁ পাঠ কৰহ, হামো শুনিয়ে ৰহো।

সূত্র—বিপ্র পত্র লৈয়া পঢ়য়ে লাগল, শ্রীকৃষ্ণ এক চিত্তে শুনিয়ে থিক। অয়ে লোক তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

বেদনিধি—( পত্রপাঠ ) স্বস্তি শ্রীপৰমেশ্বৰ-সকল-সুৰাসুৰবন্দিতপাদপদ্ম-প্রপন্নজনতাৰণ-নাৰায়ণ- শ্রীশ্রীকৃষ্ণ-

চৰণসৰোজেষু। ৰুক্মিণ্যাঃ সহস্রপ্রণাম-লিখনম্। শিৰমিহ নিবেদনঞ্চ।

হে স্বামি! ভিক্ষুক মুখে তব গুণ ৰূপ শুনিয়ে কায়বাক্যমনে তোহাক পতি ভাৱে বৰইছি। তথি পাপী শিশুপাল হামাক বিবাহ কৰিতে আৱল থিক। যৈচে সিংহক ভাগ নিতে শৃগাল আসয় থিক। তাহে দেখিয়ে ভয়ে দণ্ডে যুগ যাই। জানি হামু নিজ দাসীক সত্ত্বৰে নেৱ আসিয়া, স্বামি।

যব বোল তোহো অন্তেসপুৰে ৰহ, কোন পৰকাৰে ভেট পাৱব, তথি'' উপায় কহোঁ। হে নাথ তা শুনহ, বিবাহক পূৰ্ব্ব দিবস ভৱানীক মঠ চলব। সে সময়ে হামাক হৰি নিয়ে যাৱ।

যব তোহোঁ হেলা কৰি হামাক নাহি নেৱব তব তোহাত বদ্ধ দিয়ে হামো প্ৰাণ ছাড়ব। পাপী শিশুপালক ছায়া হামো কবহো পাৰে নাহি পৰশো। ওহি জানি নিজ দাসীক হে নাথ উদ্ধৰ উদ্ধৰ। তৱ চৰণ সৰোৰুহে কিংবহু লেখ্যমিতি পত্ৰ মিদম্।

সূত্ৰ—শ্লোক—নিবীক্ষ্য কৰুণং পত্ৰং পত্ন্যাঃ পৰমপূৰুষঃ।
প্ৰেমাশ্ৰুলোচনস্তস্থৌ ম্লাননম্ৰমুখাম্বুজঃ॥

তদন্তৰ ৰুক্মিণীক সকৰুণ পত্ৰ দেখিয়ে শ্ৰীকৃষ্ণক হৃদয়ে তাপ উপজল। কমল নয়নক নীৰ জুৰয়ে লাগল।

বৈচন বিলাপ কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ গৌৰী—ৰূপক তাল।

হৰি হৰি কিনাভেলি ৰাজ কুমাৰী।
কমল নয়ন পূৰি বাৰি ঝুৰয়ে॥
ঘন ঘন ফোকাৰে মুৰাৰি।

পদ—কৰত কতনু তেৰি নাৰী নিকাৰু
মোহি বিৰহ লাগি আগি।
তুহু যব জীৱন বালা ছোড়হ
হঞু তব তুয়া বধ ভাগী॥
তেৰা দৰশন কৈচন হোই
সুমৰিতে তণু মন তারে।
মিলল অধিকহো হৰিক আকুল
কৃষ্ণ কিঙ্কৰ ৰস গারে॥

কৃষ্ণ—( কথা ) হে বেদনিধি তোহোঁ কহিবাৰে পাত্র। যো দিৱস সে প্রিয়াক ৰূপ গুণ শুনল সেহন্তে রুক্মিণীক মাত্র ধ্যান কয় হামো ৰয়ল থিক। সে প্রাণ প্রিয়াক অৱস্থা কথা শুনিয়ে কৈচে জিৱন ধৰোঁ। অয়ে দাৰুক সত্বৰে ৰথ আনহ। কুণ্ডিণক চলিকহো এইক্ষণে যাঞো। সে প্রিয়াক দুখ শুনিয়ে প্রাণ ৰহয়ে নাহি।

সূত্ৰ—শ্লোক—

অথ ৰথমধিৰুহ্য কেশৱোহসৌ
সপদি চ সাৰথিনোদ্ধৱেন যুক্তঃ।
কৰকৃতধনুৰীশ্বৰঃ প্ৰিয়ায়াঃ
প্ৰেমাকুলঃ কুণ্ডিনমোজসা যযৌ ॥

তা শুনি দাৰুকে তৎকালে ৰথ যোগাৱল, পেখি শ্ৰীকৃষ্ণ ব্ৰাহ্মণক হাতে ধৰিয়ে ৰথ উপৰে তুলি, হাতে শৰ চাপ[79] ধৰিকহো উদ্ধৱ সহিতে তথি চড়ল। দাৰুক মহা বেগে ৰথ খেদাৱল। শ্ৰীকৃষ্ণ যৈচে চলল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ মাহুৰ—পৰিতাল।

কুণ্ডিণক আৱত মোহন মুৰাৰু।
কোটি ইন্দু নিন্দি বদন বিৰাজে
কৰ সাৰঙ্গ শৰ ধাৰু ॥

পদ—শ্যাম মুৰুতি পীত অম্বৰ অম্বুদ
তৰিত[80] জড়িত[81] যচ শোহে।
ৰতন মুকুট মণি কুণ্ডল দোলিত
হাসি জগত জন মোহে ॥

5--1594B.

ভুজ যুগ কেয়ূৰ কঙ্কণ অঙ্গুলী
অঙ্গুৰী ৰতন বিকাশ।
মঞ্জীৰ ৰঞ্জিত চৰণ সৰোৰুহ
শঙ্কৰ কহ হৰি দাস ॥

সূত্ৰ—ওহি পৰকাৰে কৃষ্ণক ৰথ বায়ুবেগে চলে। তথি আলোল্য ব্ৰাহ্মণ বেদনিধি ৰথ বেগে শ্ৰুতি ভঙ্গ হুয়া পৰল। হাত পাৱ সৱ থিৰ ভেল। পেট উফগুল। নাসাত নিশ্বাস নাহি নিঃসৰে। যৈচে মৃতক তদ্বৎ অচেতন ভেল। তাহে পেখিয়ে শ্ৰীকৃষ্ণ হা হা বুলি শিৰে জল সিঞ্চিয়ে ফুঙ্কি ফুঙ্কি ধাতু আনল। কৃষ্ণ বোল।

কৃষ্ণ—( কথা ) হে বেদনিধি স্বস্থ হৱ, স্বস্থ হৱ।

সূত্ৰ—কৃষ্ণক আশ্বাস শুনিয়ে চেতন পাই বিপ্ৰ বোলল।

বেদনিধি—( কথা )—হে বাপু তোহো কে? হামু কোন? কি নিমিত্ত এথা আৱল থিক?

কৃষ্ণ বিহসি বোল—( কথা ) হামু দ্বাৰকাক কৃষ্ণ, তোহো বেদনিধি, ৰুক্মিণী পঠাৱল তন্নিমিত্ত তোহো হামু কুণ্ডিণ চলইছি।

সূত্ৰ—তা শুনিয়ে বিপ্ৰ বাহু মেলি কৃষ্ণক ধৰল। বিপ্ৰ বোল।

বেদনিধি—( কথা ) হা বাপ বৰ্ত্তল, বৰ্ত্তল হামু ক্ষণে মৰি যাঞো তোহাক নিমিত্ত পুনু উপজল।

সূত্র—ব্রাহ্মণ কম্পয় দেখি শ্রীকৃষ্ণ আশ্বাস বুলি স্বস্থ কয়ল।

শ্লোক—ততো বিপ্রং প্রতি প্রাহ গচ্ছ ত্বং সত্বৰং গুৰো।
মদাগমনমাখ্যাহি প্রিয়ায়াঃ প্রীতিবর্দ্ধনম্ ॥

তদন্তৰ শ্রীকৃষ্ণ কুণ্ডিণ সমীপ পাই বিপ্রক বোলল। কৃষ্ণ বোল।

কৃষ্ণ—( কথা ) হে গুৰো, তোহো আগু হুয়া চলহ। সে প্রাণপ্রিয়া নিৰাশ দেখিয়ে প্রাণ ছাড়ব। হামাৰ আগমন ৰুক্মিণীত কহ গিয়া।

সূত্র—বিপ্র শুনিয়ে কৃষ্ণক আশীৰ্ব্বাদ কয়কহো আগু হুয়া চলল। ইকথা ৰহোক ৰুক্মিণীক বৃত্তান্ত শুনহ।

শ্লোক—বিলম্বং বীক্ষ্য বিপ্রস্থ ৰুক্মিণী ৰাজনন্দিনী।
চিন্তাং দুৰন্তামাসাদ্য ৰুৰোদ সখীসন্নিধৌ ॥

তদন্তৰ বিপ্রক বিলম্ব দেখিয়ে রুক্মিণীক মনে মহা চিন্তা মিলল। মদনমঞ্জৰীক বোল।

ৰুক্মিণী—( কথা ) হে সখি হামাৰ পৰম অনর্থ ভেল, আজু অধিবাস, কালি বিবাহক দিবস। সে বেদনিধি কৃষ্ণক আনয়ে নাহি পাৰি লজ্জায়ে নাৰল। হা হা অৱ কৃষ্ণ স্বামীক আশা ছেদ ভেল।

সূত্ৰ—ওহি বুলি কুমাৰী যৈচে ক্ৰন্দন কয়ল তা দেখহ শুনহ।

গীত—গৌৰীৰাগ—বিষমতাল।

মাই মাধৱ অৱ কয়ল মেৰি নৈৰাশা।
পন্থ নেহাৰি ৰাজকুমাৰী,
ফোকাৰে ঘন নিশ্বাসা॥

পৰম পুৰুষ কেশৱ বিনে
বিফল জনম মোই।
মিলল মৰণ কৃষ্ণ চৰণ
দৰশন নাহি হোই॥
হামু অভাগী লাগি জানল
জীৱন নাথ নারে।
মুৰুচি পৰয় চেতন হৰয়
ৰমণী শঙ্কৰে গাৱে॥

সূত্ৰ—ঐচন ক্ৰন্দন কয় বালা মূৰুচিত হুয়া পৰল। সখী সব দেখিয়ে হা হা বুলি বাহু মেলি ধৰিকহো প্ৰবোধ বোলল। সখীসৱ বোল।

সখীসৱ—(কথা) হে সখি স্বস্থ হৱ, স্বস্থ হৱ। সে শ্ৰীকৃষ্ণ তোহাক নিমিত্ত অৱশ্যে আৱব। যাকেৰি নাম মাত্ৰে মহাপাপী সব সংসাৰ নিস্তৰে সে ভকতক বান্ধৱ

মাধৱ তোহাক নাহি ৰক্ষা কৰব। প্ৰাণ সখি, ওহি. শঙ্কা ছাড়হ। হামাক সপত উঠহ উঠহ।

সূত্ৰ—শ্লোক—

তত উত্থায় সা বালা বিনিঃশ্বস্য পুনঃ পুনঃ।
ৰুৰোদ করুণং বালা স্মৃত্বা কৃষ্ণপদাম্বুজম্॥

কুমাৰী চেতন লভিকহু নিশ্বাস ফোকাৰি হাতে বদন চৰাই বৈঠল। সখী সৰক বোল। রুক্মিণী বোল।

রুক্মিণী—( কথা ) হে মদনমঞ্জৰি, সখি লীলাৰতি, হামাৰ বিহি বঙ্ক ভেল, বেদনিধি গৈয়াকহো বাহুৰি[৮৩] নাৱল। প্ৰাণ কৃষ্ণক বাত কিছুৱে নাহি পাৱল। হা হা ওহি জনমে সে স্বামীক চৰণ দৰশন দুৰ্ল্লভ ভেল।

সূত্ৰ—ওহি বুলি পুনু যৈচে ক্ৰন্দন কয়ল বালা, তাহে দেখহ শুনহ, নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—ৰাগ গৌৰী—যৌতিমান।

মাধৱ মেৰি বিচুৰি[৮৪] অব নাৱল।
হৰি বিৰহানল চেতন গৰি॥
নাৱল অবহু বাহুৰি দ্বিজ নন্দন।
কহ কৈচন সখি জীৱন ধৰি॥

পদ—ওহি শিশুপাল কাল ভেল মেৰি।
হেৰি হৰত চেতন তনু ক্ষীণ ॥
হামু অভাগিনী বিহি বঙ্কিম হামাৰি।
প্ৰাণ পীউ কৈচন কয়লি বিহীন ॥
কৰবি কমন উপায় পুনু মাই
অৱ বিবাহ ৰয়নী** মহ থিক।
হেৰব আৰৱ হৰিকো নাহি চৰণ
কহ শঙ্কৰ ঝুৰে ৰমণী অধিক।

সূত্ৰ—ঐচন বিলাপ কয় বালা হৰিক বিৰহে মূৰুচিত হুয়া পৰল। দেখি সখী সব হা হা বুলি শিৰে জল সিঞ্চিয়েকহো আঙ্কোৱালি তুলি বৈঠাই মধুৰ বাণী বোলল। সখি সৱ বোল।

সখি সৱ—( কথা ) হে প্ৰাণসখি আজু দিবস নাহি যাই। অতয়ে তাপ কৈচন কৰসি। সে কৃপাময় মাধৱ তোহাক মনোৰথ নিশ্চয় পূৰব। দুৰন্ত চিন্তা ছোড়হ।

সূত্ৰ—তা শুনি কুমাৰী হেঠ মাথে ৰহল থিক। সেহি সময়ে ৰুক্মিণীক বাম উৰু, কৰ, আখি ফন্দি গেল। তা দেখিয়ে সহাৰষে বোলল। ৰুক্মিণী বোল

ৰুক্মিণী—( কথা ) আহে সখীসৱ, হামাৰ বাম অঙ্গ ফান্দে। কোন শুভ বাত কহে, ইহা নাহি জানি।

সূত্ৰ—ওহি বুলি কুমাৰী থিক।

শ্লোক—সাধয়িত্বা দ্বিজঃ প্রাগাৎ প্রীত্যুৎফুল্লবিলোচনঃ।
নাপতচ্চরণং তস্য ধরণ্যাং হর্ষবেগতঃ ॥

তদন্তৰ দেৱী দেখল অতি আনন্দে বেদনিধি হৰিষ বেগে আৱল। মাটিত পাৱ পৰয়ে নাহি। বিপ্রমুখ পেখি জানল, আঃ হামাক প্রাণপীউ শ্রীকৃষ্ণ আৱল আৱল। ভৰি পাঞ্চ সাত আনন্দে আগ বাঢ়ি গিয়া বিপ্রক প্রণাম কয়ল। বেদনিধি বোল।

বেদনিধি—( কথা ) হে ৰাজনন্দিনি তোহোঁ চিৰঞ্জীৱ চিৰঞ্জীৱ। আঃ তোহাক প্রয়োজন হামু সাধল। সে যদুনন্দন তোহাক নিমিত্ত অন্ন পান সব ছোড়ল. নিশি নিদ্রা কৰত নাহি। হে মাতা. কৃষ্ণক দুখ কি কহব। কেবলে তোহাক মাত্র ধ্যানকয় ৰহ। অব ওহি নগৰ পৰবেশ কয়ল। তোহো সত্বৰ দৃঢ় হুয়া ৰহ। সব মনোৰথ আজু শ্রীকৃষ্ণ পূৰব।

সূত্র—ওহি শুনি দেৱীক আনন্দে লোতক জুৰে। বিপ্রক প্রণাম কয়ে বোলল। রুক্মিণী বোল।

রুক্মিণী—( কথা) হে পিতা, বাপে উপজল মাত্র, তোহো প্রাণ দান দেলি, তোহাক গুণ সুজয়ে নাহি পাৰো। কি পৰসাদ দেঞো।

বেদনিধি—হে মাতা হামাৰ আশীর্ব্বাদে শ্রীকৃষ্ণ সহিত তোহাক সুৱসতি হোক। তব হামাৰ সকল পৰসাদ ভেল।

সূত্র—ওহি বুলি বেদনিধি বিপ্র নিজ বাড়ী চলল। তদন্তৰ কক্মিণীক জ্যেষ্ঠ ভ্ৰাতা ৰুক্মীকুমাৰ সে আসিকহো বোলল। ৰুক্মী বোল।

কক্মী—( কথা ) অয়ে ভগিনি। তোহোঁ অতি সত্বৰ ভূষিত হুয়া, সখীসব সহিত ভৱানীক মঠ চলহ। আজু অধিবাস কালি বিবাহক দিবস, দেৱীক পূজা কৰ গিয়া। অতি সত্বৰে চলহ ঐ চলহ।

সূত্র—শ্লোক—

নিশম্য বচনং ভ্রাতুর্ভূষয়িত্বাথ ভূষণৈঃ।
জগাম সখীভিঃ সাকং সা বালা চাম্বিকালয়ম্॥

ভ্ৰাতাক বাক্য শুনিকহো কুমাৰী সখীসব সহিত ভূষিত হুয়া যৈচে চলল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল্ হৰি বোল।

গীত—ৰাগ মাহুৰ-পৰিতাল

ৰঙ্গিনী সখী সঙ্গিনী বালা।
চললি যৈচে চান্দকেৰি কালা॥

পদ—পৰিয়ে পট্টাম্বৰ লহু লহু যাই।
মত্ত গজগামিনী কামিনী মাই॥
ওতিম মোতিম মালা লুলে।
হেৰিতে হাসি ভুবন মন ভুলে॥

হৰিকহো চৰণ চিন্তিয়ে চলি যাই।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ গাই।

সূত্র—তদন্তৰ সে ৰাজকুমাৰী সখীসব সহিত ভৱানীক মঠ পাইকহো পাৱ পখালিয়ে নানাবিধ নৈবেদ্য দিয়ে দেৱীক পূজা কয়ল। স্তুতি নতি কৰিয়ে বৰ সাধল। দেৱীক আগু পড়ি বোলল। ৰুক্মিণী বোল।

ৰুক্মিণী—( কথা ) হে মাতা ভৱানি! স্বামী শ্রীকৃষ্ণে হামাক অবিঘিনিয়ে নেহন্তোক। তোহাক চৰণে অতয়ে সাধো ( প্রণাম )।

সূত্র—ওহি বৰ সাধিয়ে কুমাৰী তথি ৰহল থিক।

শ্লোক—কৃষ্ণঃ কুণ্ডিনমাগত্য বিপ্রং প্রস্থাপ্য সাদৰম্।
দারুকোদ্ধৱসংযুক্তঃ প্রবিবেশ বিভুঃ সভাম্।

তদন্তৰ শ্রীকৃষ্ণ বিপ্রক আগুকয় পঠাইকহো দাৰুক, উদ্ধৱ সহিতে যৈচন সভামধ্যে প্রবেশ কয়ল, তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ গৌৰী—একতালি।

মধাই আৱত আনন্দ মনে।
পেখি ভুলল ৰূপ পৌৰজনে।

পদ—পঙ্কজ বয়ন নয়নে কৰু পান।
হেৰি হৃদয়ে মনে মিলল ধিয়াম॥
শ্যাম ৰুচিৰ তনু পীত পিচোৰা৺।
নবীন নীৰদ যচ বিজুৰী উজোৰা।
চৰণ ৰচিত মণি নূপুৰ বিকাশ।
কহ শঙ্কৰ হৰি দাসকু দাস॥

সূত্র—শ্রীকৃষ্ণ ঐচন প্রবেশ কয় ৰাজমণ্ডলি মধ্যে বৈঠল। যৈচন নক্ষত্র মাজে পূর্ণিমাক চান্দ প্রকাশ কয় থিক। শ্রীকৃষ্ণক ৰূপসম্পত্তিক দেখিয়ে সব লোক ভুলল। মুখপঙ্কজ যৈচে নয়নে পান কৰত ৰহ। বিপক্ষ নৃপসৱ ত্রৈলোক্য চমৎকাৰ বীৰ প্রতাপ নিৰিখিয়ে পৰম ভয় ভেল, অন্যোঅন্যে কাণে কাণে কহে। ৰাজসৱ বোল।

নৃপসৱ—( কথা ) ওহি কৃষ্ণক যুদ্ধ কৰিতে শিশুপাল আশা কয় থিক। আঃ উনিকৰ সঙ্গে সবহি মৰব অয়ে ভাই সৱ উঠহ উঠহ। যাৱত যুদ্ধ নাহি হয় আগু দেশে যাঞ।

সূত্র—তদন্তৰ ৰাজা জৰাসন্ধে দেখল ৰাজাসৱ কৃষ্ণক ভয়ে কম্পিত ভেল, হাত নিশানে নিসেধি বোলল। ৰাজা জৰাসন্ধ বোল।

জৰাসন্ধ—( কথা ) আঃ হামু বিদ্যমান থাকিতে কাহাকে ভয় থিক, হে ৰাজাসৱ ওহি ক্ষত্রিয়ৰ ব্যৱহাৰ নোহে। নির্ভয়ে ৰহ, নির্ভয়ে ৰহ।

সূত্র—উনিকৰ গৰ্হিণ শুনিয়ে নৃপসব অন্তৰ্গত ভয়ে হেঠ মাথে ৰহল। •

এ কথা ৰহোক রুক্মিণীক বৃত্তান্ত শুনহ।

শ্লোক—সখীভিঃ সহ বৈদৰ্ভী কৃষ্ণদৰ্শনলালসা।
ললিতা লীলয়া গত্যা জগাম চাম্বিকালয়াৎ ॥

তদন্তৰ ৰাজনন্দিনী রুক্মিণী সখীসৱ সহিতে কৰ্পূৰ তাম্বুল ভোজন কয় এক সখীক হাতে ধৰিয়েকহো কৃষ্ণ দৰশন নিমিত্তে, পৰম আকুল চিত্তে, লীলা গতি কৰিয়ে ৰাজসভা সমীপ পাৱল, তা দেখহ শুনহ।

গীত—ৰাগ ধনশ্ৰী—দোমনি পৰি যৌতি তাল।

চান্দমুখী পেখিতে মধাই।
চললি লীলাগতি ভুবন ভুলাই ॥

পদ—কনক কিঙ্কিনি ধ্বনি ঝলকে মঞ্জীৰ মণি
দোলে হৃদয়ে হেমমালা।
চঞ্চল লোচন মন হেৰয় ৰমণী ঘন
হৰি বয়ন ৰৰবালা।
সখীসৱ সঙ্গে খেলে যৈচন নক্ষত্ৰ মেলে
মুচান্দ৮৭ চান্দক কলা শোহে।
ৰূপ ৰুকমিণীকেৰি ৰাজ সমাজে হেৰি
পৰল সবহি মন মোহে ॥

সূত্ৰ—তদন্তৰ রুক্মিণীক নবীন রূপ যৌৱন পেখিয়ে যত ৰাজা সব কামবানে মূৰ্চ্ছিত হুয়া আসন হন্তে ঢলি ঢলি পৰল। বিহ্বল ভাবে কেহো কৰযুৰি বোলল। ৰাজাসব বোল।

ৰাজাসব—( কথা ) হে প্ৰাণেশ্বৰি, কামসাগৰে নিস্তাৰ কৰহ।

সূত্ৰ—কেহো আঙ্গুলী মুখে লৈয়া বোলল।

ৰাজাসব—( কথা ) হে প্ৰাণপ্ৰিয়ে মদনে মৰ্দ্দয়, হামাক হাস্য নিৰীক্ষণ কৰহ।

সূত্ৰ—কেহো দন্তে তৃণ কামুৰি বোলল। ভোজ-ৰাজ বোল।

ভোজৰাজা—( কথা ) হে ৰাজকুমাৰি তোহাক নিমিত্ত কামবাণ ফুটি প্ৰাণ চুতি যাই। চৰণক দাস ভেলো। হাতে পৰশি হামাক জীয়াউ। সব মহাদৈক দাসী কৰি দেওঁ।

সূত্ৰ—কাম মত্ত হৈয়া ইত্যাদি নানা বীভৎস ভাৱনা কৰ ৰাজাসব দেখি রুক্মিণীক সখীসবে কাহেক ঠেঙ্গিনা দেই, কাহেক গোৰে মাৰি ভৰ্ত্সয়, তথাপি ৰাজাসব কামাতুৰ হুয়া কুমাৰীক কাতৰ কয় থিক। হে লোক হৰিভকতিহীন কামাতুৰক দুখ দেখহ। ইহা জানি হৰিক চৰণ চিন্তিয়ে হৰি বোল হৰি বোল।

শ্লোক—কৃষ্ণোঽপি ক্ষোভিতং চিত্তং স্থিৰং কৃত্বা জহাৰ তাম্।
নিম্নতাং ৱিধৃতাং মধ্যে মৃগাণাং কেশৰী যথা ॥

সূত্ৰ—তদনন্তৰ কৃষ্ণ ৰুক্মিণীক ৰূপলাৱণ্য পেখিয়ে মোহিত হুয়া কথং কথমপি চিত্ত শান্ত কয়ল। ৰুক্মিণী সখী সৱ সহিত লীলাগতি চলিতে কৃষ্ণক দেখল। ভাটক মুখে যৈচন গুণৰূপ শুনল সাক্ষাতে তাহাতো অধিক দেখল। ওহি কৃষ্ণক স্বামী বুলি মনে পৰণাম কয়ল, সলজ্জ হাস্য কৰিয়ে অধোমুখী হুয়া ৰহল। শ্ৰীকৃষ্ণ তৎকালে উঠিকহো ৰাজসভামধ্য হন্তে ৰুক্মিণীক হৰি লৈয়া আপুন সমীপ কয়ল। যৈচন মৃগযূথ মধ্য হন্তে সিংহে আপোন ভাগ লৈয়া যাই, তদ্বৎ কুমাৰীক হাত ধৰিয়ে আপুন ৰথে তুলিকহো ৰুক্মিণী সহিত শ্ৰীকৃষ্ণ যৈচে লীলাকয় চলল, অয়ে লোক তা দেখহ শুনহ নিৰন্তৰে হৰি বোল।

গীত—ৰাগ ধনশ্ৰী—একতালি।

লহু লহু গতি ধাই, প্ৰিয় সঙ্গে ৰঙ্গে যাই।
হৰি হাসি হাসি চাই, যৈচে মত্ত সিংহ ৰাই ॥
পদ—ৰূপে ভুবন জিনি, সখী সমে ৰুকমিণী।
চলে বামা মধ্য ক্ষীণি, ঝনকে মঞ্জীৰ মণি ॥
পীউমুখ বেৰি বেৰি, লজ্জিত নয়ন হেৰি।
কহ শঙ্কৰ কেৰি, গতি গোবিন্দ মেৰি ॥

সূত্ৰ—তদন্তৰ শ্ৰীকৃষ্ণ রুক্মিণীক হাতে ধৰিয়ে, হাসি হাসি প্ৰিয়াক মুখ নিৰেখিয়ে, লীলাগতি চলি যাই। যৈচে মত্ত সিংহ চলইছে। সে ৰাজনন্দিনী শ্ৰীকৃষ্ণক স্বামী লভিয়ে, লজ্জিত নয়নে, ঘন ঘন স্বামী-মুখ নিৰেখিয়ে পৰম আনন্দে চলি যাই। তদন্তৰ শিশুপাল প্ৰভৃতি যত বিপক্ষ ৰাজা সব চেতন লভিকহো দেখল, শ্ৰীকৃষ্ণ রুক্মিণী কন্যাক হৰি নিয়া যাই। শিশুপাল বোল।

শিশুপাল—( কথা )—আঃ হামাৰ জীৱন ধিক ধিক। হামো বিদ্যমানে হামাৰ বিবাহক কন্যা কথাক যাদৱে নিয়া যাই।

সূত্ৰ—ওহি বুলি পৰম দৰপ কৰিকহো হাতে শৰ ধনু ধৰিয়ে, শ্ৰীকৃষ্ণক পাচু পাচু যৈচে খেদি যাই, তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

পয়াৰ—কানড়া—পৰিতাল।

কোপে নৃপসব কামোৰে বাহু।
চান্দক যচ খেদি যাই ৰাহু॥

পদ—হাতে শৰ ধনু ধৰি সব ধাৱে।
কম্পিত মেদিনী এ পদ ঘাৱে॥
বাহু দৰ্পিয়ে কৰয় টঙ্কাৰ।
বোলয় ডাকি ডাকি অহঙ্কাৰ॥

ৰে ৰে যাদৱ পাৰয় গাড়ি।
ছোড় ছোড় অৱ রুকমিণী নাৰী ॥
আৱ কতি যাস পাৱলো লাগ।
কোপে গৰজয় যৈচন বাঘ ॥
ৰহ ৰহ বুলি পাৰে ঘণে ৰাৱ।
কহ শঙ্কৰ গতি গোবিন্দ পাৱ ॥

শ্লোক—ৰাজ্ঞা সাটোপটঙ্কাৰকল্লোলং রুক্মিণী সতী।
নিশম্য বেপিতা ভীতা মনসৈবমচিন্তয়ৎ ॥

সূত্র—ৰাজাসৱক আটোপ টঙ্কাৰ দেখিয়ে শুনিয়ে মহাভয়ে রুক্মিণীক হৃদয়কম্প মিলল। মুখ মলিন ভেল। স্বামী কৃষ্ণক নিমিত্তে চিন্তিত হুয়া নয়নে নীৰ নিগড়ে, নিশ্বাস ফোকাৰি মৌনে বোলল। রুক্মিণী বোল।

রুক্মিণী—( কথা ) হা দৈৱ, অভাগা রুক্মিণীক কপাল কি ভেল, বিঘিনিক উপৰি বিঘিনি মিলল। ওহি পাপী ৰাজা সৱ বহুত, স্বামীক সঙ্গে সহায় কেহোঁ নাহি, হামাক কোন গতি হয় ইহা নাহি জানি। হা হা সোণাক পুতলি শ্রীকৃষ্ণ স্বামীক হামো পাপিনী কৈচে আনল। যোনো হামো কাচক চাহিতে মাণিক হৰায়।

সূত্র—ওহি বুলি রুক্মিণী যৈচে বিলাপ কয়ল, আহে লোক তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গাত—ৰাগ শ্ৰীগান্ধাৰ—যৌতিমান।

হৰি হৰি কিনো বিহি লিখিল ললাট।
অৱহু মিলল মেৰি মৰণক ঘাট ॥
পদ—পাৱল বহু পুণ্য হামু বহু ৰঙ্ক।
হাতে হৰল নিধি বিধি ভেল বঙ্ক ॥
আৱল কৈচন নাথ অভাগীক লাই।
কাচক চাহিতে যোনো মাণিক হৰাই ॥
বিহিক বিৰম্বন কিনো মেৰি ভেল।
প্ৰাণপীউ পৰশ আশ দূৰ গেল ॥
হেঠ বয়নে নয়নে জুৰে লোৰ।
শঙ্কৰ কহ গতি গোবিন্দ মোৰ ॥

সূত্ৰ—শ্লোক—
ভয়বেপিতচিন্তায়া ৰুক্মিণ্যা ৰোদনং দ্ৰুতম্।
নিৰীক্ষ্য দৃঢ়মালিঙ্গ্য সান্ত্বয়ামাস কেশৱঃ ॥

তদন্তৰ কৃষ্ণক সমীপে বিলাপ কৰিতে ৰুক্মিণী ঘন ঘন শ্বাস ফোকাৰে, নয়নক নীৰ বহি যাই, তাহে দেখি ভকত বান্ধৱ মাধৱ অতি সত্বৰে বাহু মেলি আলিঙ্গিকহো আশ্বাস বোলল। কৃষ্ণ বোল।

কৃষ্ণ—( কথা ) অহে প্ৰাণপ্ৰিয়ে, কি নিমিত্ত ক্ৰন্দন কৰৈছ, হামু বিদ্যমানে থাকিতে তোহাক কোন চিন্তা, কাহেক ভয় থিক।

সূত্ৰ—ওহি বুলি শ্ৰীকৃষ্ণ ৰুক্মিণীক যৈচে প্ৰবোধ কয়ল, হে লোক তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ বেলোৱাৰ—পৰিতাল।

কৰবিনা আকুল প্ৰিয়ে।
ধৰি কামিনীক কানু বোধ দিয়ে॥
পদ—কি কৰব সিংহক শৃকৰসৱ আয়া।
হামাকু শপত তাপ তেজু জায়া॥
মোছল মুখ প্ৰিয়াক পীতবাসে।
কহ শঙ্কৰ ৰস কেশৱ দাসে॥

কৃষ্ণ বোল—( কথা ) আহে প্ৰাণপ্ৰিয়ে, হামাক আগু ওহি ৰাজাসব কোন পতঙ্গ। যৈচে সিংহক আগে ক্ষুদ্ৰ হৰিণ, ইহা জানি ভয়, শোক, ছাড়হ, দেখহ পাপী ৰাজাসবক, যৈচে শৃগালক এই ক্ষনে খেদৱাব।

সূত্ৰ—ওহি বুলি ৰুক্মিণীক সন্তাপ দূৰ কৰিয়ে স্বহস্তে তাম্বূল ভোজন কৰাৱল। অন্যো অন্যে কৌতুক নিৰীক্ষণ কৰিয়ে বোলল। কৃষ্ণ বোল।

কৃষ্ণ—( কথা ) হে প্ৰিয়ে তুহু নিৰ্ভয়ে ৰহ। হামো দুষ্ট ৰাজাসৱক যুদ্ধ কৰিএ খেদাঞু, ৰঙ্গ দেখহ।

সূত্ৰ—ওহি বুলি শাৰঙ্গ ধনু ধৰিয়ে টঙ্কাৰ কয়ল।

শ্লোক—ততঃ শার্ঙ্গং ধনুৰ্দ্ধৃত্বা টঙ্কাৰমকৰোদ্ধৰিঃ।
শ্ৰুত্বা তচ্ছব্দমতুলং ৰাজানশ্চ চকম্পিৰে॥

শাৰঙ্গ ধনুক টঙ্কাৰ শুনিয়ে ৰাজাসৱক হৃদয় কম্পল। তাহে দেখি শ্ৰীকৃষ্ণ হাসি হাসি বোলল।

কৃষ্ণ—( কথা ) অয়ে দুষ্ট ৰাজাসৱ! হামাক খেদি আৱল, যত শকতি থিক অৱ যুদ্ধ কৰহ।

সূত্ৰ—তাহে শুনিয়ে ৰাজা সৱ শৰ বৰষিয়ে বোল।

ৰাজাসৱ—অয়ে যাদৱ অনাচাৰ, হামাৰ বিবাহক কন্যা ৰুক্মিণীক যদি নাহি ছোড়ব, যত শকতি থিক হামাক যুদ্ধ দেহ, যুদ্ধ দেহ।

সূত্ৰ—ৰাজাসৱক দৰ্প শুনিয়ে শ্ৰীকৃষ্ণ যৈচে সমৰ কয়ল, তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ নাটমল্লাৰ—পৰিতাল।

যুদ্ধ দেহু যাদৱ যতুৰায়া।
গৰজি ৰাজাসৱ আয়াৰে॥
হৰি ধৰি শাৰঙ্গ ববষিল বাণ
নৃপসৱ ভেদল কায়াৰে।
পদ—বাৰি বাৰিষা যচ অম্বুদ বৰিষল
হৰি কৰু শৰ সন্ধানাৰে।
কাকহু বাহু কাকহু উৰু, কটি
হৃদয় বিদাৰল বাণাৰে॥

বীৰ শিশু পালক কাটল কিৰীট
পালটি পলাৱল পাপীৰে।
সব বৈৰী জিনি বিজয়ী মাধব
শঙ্কৰ কহ ভব তাপীৰে ॥

সূত্ৰ—শ্ৰীকৃষ্ণক শৰে ৰাজাসৱক উৰু, কৰ, কটি, হৃদয় ভেদল, শিশুপালক কিৰীট কাটল। দেখিয়ে মহা ভয়ে ৰাজাসৱ ভঙ্গ দিয়ে পলাৱল। ত্ৰাসে পাছু চাহয় নাহি, যৈচন সিংহক ভয়ে শৃগাল লৱড়ে তদ্বৎ শ্ৰীকৃষ্ণ কৌতুকে কতি দূৰ গৈয়া খেদিয়ে পালটি ৰহল। তদন্তৰ দেবী ৰুক্মিণী স্বামীক বিজয় বিক্ৰম দেখিয়ে পৰম আনন্দ প্ৰদক্ষিণে পায়ে পৰণাম কয়ল। সাধু সাধু বুলি শিৰে পুষ্প বৰিষল। আঞ্চোৰে শ্ৰমজল মোছল। তাম্বুল ভোজন কৰাই সখীসব সহিতে আঞ্চোৰে বিঞ্চিয়ে ৰহল। প্ৰথম বয়স লজ্জাৱতী স্বামীক মুখ কটাক্ষে ঘন ঘন নিৰেখি হেঠ মাথ কয় থিক। শ্ৰীকৃষ্ণ প্ৰিয়াক মধুৰ আলাপে আনন্দ কৰাৱল।

সূত্ৰ—শ্লোক—

ততোঽতিকৌতুকন্দৃষ্ট্বা প্ৰিয়ায়াঃ পৰমেশ্বৰঃ।
আনন্দলীলাগতিভৰ্ৱজম্ কেলিমকাৰয়ৎ॥

শ্ৰীকৃষ্ণ শিশুপালক কিৰীট কাটিয়ে ৰাজাসৱক কতি দূৰ খেদাই পৰম কৌতুকযুক্ত হুয়া প্ৰিয়া

রুক্মিণী সহিত দ্বাৰকাপুৰ চলিতে যৈচন লীলাগতি কয়ল, হে লোক তা দেখহ শুনহুঁ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ সুহাই—চুত কানামান।

জগজীউ উৎসুকে চললি মধাই।
প্ৰিয়া সঙ্গে ৰঙ্গে লীলাই ॥

পদ—হৰি কৰ ধৰল কামিনীকণ্ঠ মেলি
কেলি কৰতহি যাই।
নৱ ৰমণী পীউ পৰশে বিহসি
লোচন মুদি ৰহ মাই ॥
পৰমানন্দ মগন মন ৰামা
দৰশিয়ে হাস বিলাস।
সখা সমে স্বামী সেৱি আনন্দ কৰ
কহ শঙ্কৰ হৰি দাস ॥

সূত্ৰ—শ্ৰীকৃষ্ণ পৰম আনন্দে চলিতে প্ৰিয়াকণ্ঠে হাত মেলি ধৰল। সে নৱ তৰুণী প্ৰথম প্ৰিয়ক পৰশে লজ্জিত হুয়া অল্প হাস্য কৰিয়ে ঘন ঘন আখি মুদি ৰহ। সখীসৱ সহিতে হাসবিলাস দৰশিয়ে কৌতুকে স্বামীক সেৱা কৰিতে চললি। শ্ৰীকৃষ্ণ যৈচে হস্তিনী সৱ সহিত মত্ত মাতঙ্গ চললি তদ্বৎ। ই কথা ৰহোক, তদন্তৰ

রুক্মিণীক জ্যেষ্ঠ ভ্ৰাতা রুক্মী নাম দুৰ্ম্মতি, ৰাজাসৰক ভঙ্গ শুনিয়ে সে পাপী পৰম আটোপে গৰ্জ্জিয়ে কৃষ্ণক খেদি আৱল। রুক্মী ডাকি বোলল।

রুক্মী—( কথা ) অয়ে যাদৱ, হামাৰ ভগিনীক ছোড়হ ছোড়হ। আঃ তোহাক নাহি মাৰি, রুক্মিণীক নাহি ছোড়াই কুণ্ডিণ পৰবেশ নাহি কৰব। যব ভগিনীক ছোড়বি নাহি তব যত শকতি থিক হামাক যুদ্ধ দেহু।

শ্লোক—শ্ৰুত্বা কৃষ্ণো বিহস্যাহ শৃণু ৰে কুলকণ্টক।
ত্বামত্ব নিশিতৈৰ্ব্বাণৈৰ্ণয়ামি যমসাদনম্॥

সূত্ৰ—কৃষ্ণ বিহসি বোলল।

কৃষ্ণ—( কথা ) অৰে কুলকণ্টক রুক্মী হামাক গাৰি দেহি, ওহি বাণে যমপুৰ দেখাৱব ক্ষণেক ৰহ।

সূত্ৰ—ওহি বুলি শ্ৰীকৃষ্ণ রুক্মী সহিতে যৈচে যুদ্ধ কয়ল তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

পয়াৰ—কানাৰা—পৰিতাল।

কৃষ্ণ বাক্য শুনিয়ে রুক্মী বীৰ।
হানল বাণ কোপে কম্পে শিৰ॥

পদ—কাটল বাণ কৃষ্ণে শৰ মাৰি।
গৰজে রুকমী পুনু শৰ প্ৰহাৰি॥

ৰুকমী অস্ত্ৰ যহি যহি হান।
তাহে ছেদল পুৰুষপ্ৰধান ॥
বহুতৰ বাণে তাহে হৃদি ভেদি।
হাতক ধনু পেলাৱল ছেদি ॥
হাতে মুঠি ধৰি ৰুকমী কুমাৰ।
কৃষ্ণক হৃদয়ে কয়ল প্ৰহাৰ ॥
তাহে প্ৰহাৰি হাসি জগন্নাথে।
ধৰল কেশে কেশৱ বাম হাতে ॥
ঘণ্টা লাৰি ঘাৰ কৰয় মোৰ।
ৰুকমীক হৃদয়ে মাৰল গোড় ॥
পাই ছোট বৰি মুৰুছিত বীৰ।
কৃষ্ণ ধৰল খাণ্ডা কাটিতে শিৰ ॥
হাহাকাৰ কয় ৰুকমিণী মাই।
স্বামীক হাতে সোদৰ বধ যাই ॥
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ গাই।
বোলহু ৰাম হৰি সকল লোকাই ॥

সূত্ৰ—সে পাপী ৰুক্মী অস্ত্ৰে নাহি পাৰি কৃষ্ণক হৃদয়ে মুষ্টি মাৰল। শ্ৰীকৃষ্ণ তনিকৰ কেশে ধৰিয়ে, হিয়ে লাঠি মাৰিয়ে, কাটিতে আনন্দে খড়্গ ধৰল।

শ্লোক—শ্ৰুত্বা ভ্ৰাতৃবধোদ্যোগং গোবিন্দস্যাতিদুঃখিতা।
কৰাভ্যাং চৰণৌ স্পৃষ্ট্বা চকাৰ কৰুণং সতী ॥

তদনন্তৰ দেবী রুক্মিণী তাহে দেখিয়ে ভাতৃ মৰয় বুলি শ্রীকৃষ্ণক চৰণপঙ্কজ ধৰিয়ে কাতৰ কয় লাগল। রুক্মিণী বোল।

রুক্মিণী—( কথা ) হে স্বামি তোহাৰি চৰণে লাগো, ভায়াক প্রাণ দান দেহু। তোহো পৰম ঈশ্বৰ। ওহি পাপী তোহাক মহিমা নাহি জানল, যৈচে পতঙ্গ অগনিত জাস কয়ল। হামাক দেখিতে ওহি দোষ মৰষ স্বামি।

সূত্র—ওহি বুলি কুমাৰী নয়নক নীৰ জুৰাই যৈচে ক্রন্দন কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

গীত ৰাগ—শ্রীগান্ধাৰ—যৌতিমান।

সুন্দৰী ধৰি হৰিচৰণ বিনাৰে।
করুহো করুণা নাথ মাথে ধৰো তৃণ
বুলিতে নয়ন ঝুৰাৰে॥

পদ—ভায়াকেৰি দুখ দেখিয়ে জীৱ যাই
ৰাখহু পাপীক প্রাণ।
চৰণক আগু আঞ্চোৰ পাতি মাগো
দেহু মেৰি সোদৰ দান॥

যবহু সোদৰ দের নকৰসি ৰক্ষণ
আগহি লেহু জীর মুই।
হৰি পারে পৰি বৰ— বালা বিলপতি
কহ শঙ্কৰ ৰস ওই॥

সূত্র—ঐচন ক্রন্দন কয় রুক্মিণী হাতে তৃণ ধৰিয়ে বোলল, রুক্মিণী বোল।

রুক্মিণী—( কথা ) হে স্বামি ভায়াক দুখ দেখি প্রাণ ফুটি যাই। ওহি অধমক জীর ৰক্ষা কৰহ। চৰণক আগু আঙোৰ পাতি মাগো, হে নাথ হামাক সোদৰ দান দেহ।

সূত্র—শ্রীকৃষ্ণ তথাপি রুক্মীক ছোড়য় নাহি দেখিয়ে পুনু কুমাৰী নিশ্বাস ফোকাৰি বোলল। রুক্মিণী বোল।

রুক্মিণী—( কথা ) হে স্বামি, যব ভাতৃক ৰক্ষা নাই কৰবি, তব আগু হামাক জীর লেহু।

সূত্র—ওহি বুলিতে লোতকে কণ্ঠ বেঢ়ল হা হা ভায়া বুলি মাটিত লুটি ক্রন্দন কয় লাগল বালা।

শ্লোক—ততঃ প্রিয়ায়াঃ সংপ্রেক্ষ্য বিলাপং পৰমেশ্বৰঃ।
ৰক্ষিত্বা রুক্মিণঃ প্রাণান্ কাৰয়ামাস মুণ্ডনম্॥

সূত্র—শ্রীকৃষ্ণ রুক্মিণীক বিলাপ দেখিয়ে পৰম করুণা উপজল, হৰি বিহসি বোলল। কৃষ্ণ বোল।

কৃষ্ণ—(কথা) আহে প্রিয়ে, বিলাপ ছোড়হ, তোহাক

নিমিত্ত এ পাপীক প্ৰাণ ৰাখব। কিন্তু ইহাক এক শাস্তি কৰব, তাহেক নিষেধ নাহি কৰবি।

সূত্ৰ—ওহি বুলি শ্ৰীকৃষ্ণ সে ৰাজকুমাৰক গলে বস্ত্ৰ বান্ধিয়ে ধৰল। খড়গ ধৰিয়ে সৱ কেশ মুণ্ডন কৰল, দাড়ি, গুম্ফ, চক্ষু, ভ্ৰুৱ সব উপাৰল, মুখে কালী চূণ ঘসিয়ে চক্কা মাৰি পেলাৱল। যৈচে মৃতক শৱ সদৃশ ৰুক্মী মাটিতে পৰিয়ে ৰহল। আহে লোক দেখো দেখো, যো হৰিক দ্ৰোহ কৰয়, হৰিগুণ নাম লৈতে নিন্দা কৰয়, সোহি পাপীক ওহি অৱস্থা দেখহ্। জানি হৰি ভকতিক নিন্দা ছোড় হৰি বোল হৰি বোল।

শ্লোক—সান্ত্বয়িত্বা প্ৰিয়াং পশ্চাত্তয়া সহ মহাহৰিঃ।
দ্বাৰকাপুৰমাগত্য প্ৰিয়য়া সমৰীৰমৎ॥

শ্ৰীকৃষ্ণ প্ৰিয়াক আখি মুখ পীত বস্ত্ৰে মুছি, শান্ত কৰিয়ে পৰম কৌতুকে দ্বাৰকাপুৰ প্ৰবেশ কৰিতে, শ্ৰীকৃষ্ণ ৰুক্মিণী যৈচে আনন্দ কয়ল তা দেখহ শুনহ নিৰন্তৰে, হৰি বোল হৰি বোল।

গীত—ৰাগ—তুৰ ভাঠিয়ালী—যৌতিমান

মিলিল কৌতুক কমল লোচনী
চললি স্বামীক সঙ্গিয়া।
নীল মেঘ যচ উজৰ বিজুৰী
ভুবন ভুল ভ্ৰুৱ ভঙ্গিয়া॥

পদ—মত্ত মাতঙ্গ সঙ্গ অঙ্গ ভঙ্গ
কৰিণী কৰ লাস বেশয়া।
কয়ল মঙ্গল বাদ্য কোলাহল
দ্বাৰকা পুৰপৰবেশয়া॥
দেৱী দৈৱকী আসিয়া কৌতুকী
ধৱল বৰ বধু হাতয়া।
জয় জয় ৰৱ মিলল উৎসৱ
কহতু শঙ্কৰ বাতয়া॥

সূত্র—তদন্তৰ দেৱী দৈৱকী পৰম মঙ্গল বাদ্যভাণ্ডে আসিকহো বৰকন্যাক হাত এক থান কৰিকহো বহুতৰ উৎসৱে গৃহ পৰবেশ কৰাৱল। অনেক সুন্দৰী স্ত্রী আয়তী সৱ সহিতে কৃষ্ণ কক্মিণীক মাথে দূৰ্ব্বাক্ষত সিঞ্চোৰিয়া তথি পৰম উৎসৱ মিলাৱল।

তদন্তৰ শ্রীকৃষ্ণ বিবাহপ্রকাৰ শুনহ। প্রস্তুতমাহ, হৰিক বিবাহ কথা জানিয়ে, জগতক যত লোক কৌতুকে দ্বাৰকাপুৰ ভৰল আসিয়া। ৰাজা ভীষ্মক স্বহস্তে কৃষ্ণক কন্যা দান কৰিতে আৱল। তদন্তৰ জগতক গুৰু শ্রীনাৰায়ণ মনুষ্যলীলা দৰশিয়ে, বিবাহ কৰিতে প্রিয়া-সমে আসনে বৈঠল।

শ্লোক—আজগাম ততো ব্রহ্মা কৃষ্ণস্যোদ্বাহকাৰণাৎ।
সনাৰদো মুদা যুক্তঃ স্রুবহস্তোঽতিকৌতুকী॥

সূত্ৰ—সেহি সময়ে ব্ৰহ্মা, নাৰদ পুত্ৰ সহিতে বিবাহক হোম কৰিতে যৈচে মিলল, হে লোক তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ—কানড়া পৰিতাল।

আৰত ধাতা হাতে স্রুৱ ধৰি।
চতুৰ বয়নে ঘন বেদ উচৰি॥
পদ—গৌৰাঙ্গ অঙ্গ ৰঙ্গ বিপৰীত।
সঙ্গহি নাৰদ আনন্দ চিত॥
বাম হাতে কুশ কৰত প্ৰকাশ।
শঙ্কৰ কহ ওহি কেশৱ দাস॥

সূত্ৰ—শ্ৰীকৃষ্ণ পেখি প্ৰিয়া সহিতে তৎকালে উঠিকহো পৰণাম কয়ল। ব্ৰহ্মা নাৰদ আশীৰ্ব্বাদ দেল। শ্ৰীকৃষ্ণ মাথ চৰায়াকহো কৰযোৰি বোলল। শ্ৰীকৃষ্ণ বোল।

শ্ৰীকৃষ্ণ—( কথা ) হে জগতক পিতামহ তোহাক দৰশন দেৱৰ দুৰ্লভ। হামো মানুষ হুয়া তোহাক দৰশন ভেল। আঃ হামাক ভাগ্যক মহিমা কি কহব। জনম সাফল। আজু দ্বাৰকাপুৰ পৱিত্ৰ ভেল।

ধাতা—( বিহসি বোলল ) হামু তোহাক বিবাহ

শুনিয়ে কৌতুকে আৱল। স্বহস্তে আহুতি কৰিয়ে বিবাহ কৰাৱব।

সূত্ৰ—কৃষ্ণ তাহে শুনি আসন দেলহ। ব্ৰহ্মা তথি বৈঠল, কুশণ্ডি কৰি হোম আৰম্ভল।

শ্লোক—ততো দৃষ্ট্বা তু রুক্মিণ্যা ৰূপলাবণ্যমদ্ভুতম্।
বভূব মূৰ্চ্ছিতো ব্ৰহ্মা কাম-বাণ-বিমৰ্দ্দিতঃ॥

তদনন্তৰ মুখচন্দ্ৰিকা কৰিতে ৰুক্মিণীক ভুবনমোহন ৰূপ নিৰেখিয়ে ব্ৰহ্মা মাটি লুটি পৰল। নাৰদ মুনি ধৰি বোধ কৰাৱল। নাৰদ বোল।

নাৰদ—(কথা) হে পিতা স্বস্থ হব। স্বস্থ হব! তোহাৰ ব্যৱহাৰ নোহে।

শ্লোক—ততশ্চেতনমালভ্য ব্ৰহ্মা মন্ত্ৰমুদীৰয়ৎ।
তদুদ্বাহবিধৌ তস্মিন্নুৎসবঃ সুমহানভূৎ॥

সূত্ৰ—তদন্তৰ ব্ৰহ্মা চেতন লভিকহো বিষ্ণু বিষ্ণু স্মৰিয়ে পুনঃ স্রুব ধৰিয়েকহো হোম কৰয়ে লাগল। সোহি সময়ে ৰাজা ভীষ্মকে কন্যা সম্প্ৰদান কৰিতে বৰ-কন্যাক কেশ এক থাম কৰিয়েকহো, পানী ঢালিতে যৈচে কৌতুক মিলল, হে লোক তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—ৰাগ শাৰঙ্গ—পৰিতাল।

কহত বিধাতা বেদকু বাণী।
হৰি ৰুকমিণীক কেশ এক কৰিয়ে
ভীষ্মক ঢালে ভৃঙ্গাৰ ধৰি পানী॥

পদ—যৌতুক ৰতন আঞ্জুৰী ভৰি বৰিষে
গাৱে গোবিন্দ গুণ পুৰবাই।
বাসুকী উৎসুকি তাল ঠুকি ঠমকে
নাচে মহেশে হাসয় সব চাই॥
মুনি সিদ্ধ কুসুম হৰিষে বৰিষে
কৰ কৌতুক পেখিয়ে সবলোই।
দ্বাৰিকাপুৰ বেৰি মিলল মহোৎসৱ
কহ শঙ্কৰ গোবিন্দ গতি মুই॥

সূত্ৰ—ঐচন পৰকাৰে কৃষ্ণক বিবাহ ভেল। তদন্তৰ ব্ৰহ্মা, ইন্দ্ৰ, আদি যত দেৱতা, পাতালক বাসুকী প্ৰভৃতি যত নাগ, পৃথিবীক যত ৰাজা, সবাকো সাদৰে শ্ৰীকৃষ্ণ গন্ধচন্দন, পুষ্প, তাম্বুল, বস্ত্ৰ, অলঙ্কাৰে পৰম সন্তুষ্ট কয়ল। অতঃপৰে পৰম কৌতুকে ত্ৰৈলোক্য লোকে জয় কৃষ্ণ ঘুষিয়ে সমাজ ভাঙ্গিকহো স্বকী স্বকী স্থানে চলিতে, অন্যোঅন্যে কৃষ্ণক আশ্চৰ্য্য গুণ ৰূপ মহিমা কীৰ্ত্তন কয়কহো দশোদিশে গেল।

শ্লোক—ততোঽতিকৌতুকী কৃষ্ণঃ প্রিয়য়া প্রেমৰূপয়া।
কুৰ্ব্বন্ কেলিং মহোৎসাহান্মুমুদে ৰত্নমন্দিৰে ॥

তদনন্তৰ শ্রীকৃষ্ণ পৰম উৎসুকে প্ৰাণপ্রিয়া-সহিত ৰত্ন-মন্দিৰে প্ৰবেশিয়ে যৈচন কৌতুকে ৰুক্মিণীক প্ৰবোধি নানা কেলি কয় ৰহল, অয়ে লোক তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

গীত—কল্যাণ—খৰমাণ

কৰত বিহাৰ কৰত বিহাৰ মুৰাৰু
কামিনীক কমল অমল মুহ লম্বি[৮৮]
চুম্বে জগত আধাৰু ॥

পদ—ঘন ঘন নয়ন পঙ্কজ মুহ হেৰি
হেৰি কৰত কানু কেলি।
আলিঙ্গি অঙ্গ অনঙ্গ[৮৯] ৰঙ্গ ৰসিক
ৰমণীক ভুজ মেলি ॥
হাসি হাসি হৰষে হৰষে নখ পৰশে
কুচ কাঞ্চুৰি ফাৰকানে।
পূৰল পৰম মনোৰথ ৰমণী
মধু অধৰ মধুপানে ॥

শ্ৰীৰাম ৰায়া হৰিকো পৰমা
ভকতি ৰসিক সুজান।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ হৰি গুণ গান ॥

সূত্ৰ—ওহি পৰকাৰে ভকতক কৃপালু শ্ৰীকৃষ্ণ ৰুক্মিণীক ভকতি বশ্য হুয়া বিবিধ বিহাৰ মদন-খেল-লীলা-কেলি-কৌতুক কয়ল। ৰাজকুমাৰীক পায় মনোৰথ পূৰল। সে নৃপনন্দিনীক মহামহোৎসৱ মিলল। জগতক পৰম গুৰু নাৰায়ণ, তন্নিকৰ পৰশনে পৰম সৌভাগিনী ভেল। নব তৰুণী পদ্মিনী শত সহস্ৰ দাসী পাৱল। ইন্দ্ৰক যত সম্পতি নিজ মন্দিৰে মিলল। শ্ৰীকৃষ্ণক চৰণ পঙ্কজ পৰমানন্দে পৰিচৰ্য্যা কয় সৰ্ব্বথা ৰহল।

শ্লোক—ৰুক্মিণীহৰণনাটোঽয়ং সম্পূৰ্ণো হৰিণা কৃতঃ।
অস্মিন্নিমিত্তমাত্ৰোঽহং জানন্তিতি মহত্তমাঃ ॥

আহে সভাসদ লোক, কৃষ্ণচৰণ-প্ৰসাদত ৰুক্মিণী-হৰণ নাট সম্পূৰ্ণ ভেল। ইহাত যত ন্যূনাধিক দোষ, সে হৰিস্মৰণে দূৰ হোক। ওহি কৃষ্ণচৰিত্ৰকথা, যে সাধুসৱে শ্ৰদ্ধায়ে কহে, শ্ৰদ্ধায়ে শুনে সে সৱক হৰিৰ কৃপা মিলোক। অপিচ।

আহে লোকাই দেখু দেখু ভাটকমুখে রুক্মিণী কৃষ্ণ-গুণ শুনিয়ে, কৃষ্ণচৰণে শ্ৰদ্ধামাত্ৰ কয়ল, অতয়ে ভকতক পৰমকৃপালু শ্ৰীকৃষ্ণ, তনিকৰ বশ্য হুয়া গৃহ-গৃহিণী কয়ল। আঃ হৰিভকতিক মহিমা কি কহব। জানি কৃষ্ণচৰণে চিত্ত দিয়া নিৰন্তৰে হৰি বোল হৰি বোল।

অথ—ভটিমা

( মঙ্গলং বক্তব্যং, মুক্তিমঙ্গলম্ ) ॥

জয় জয় জগতজীৱন যদুদেৱ।
পদপঙ্কজৰজ অনুক্ষণে কৰু সেৱ॥
যোহি হৰল রুক্মিণী কৰু মান।
সোহি কৰতু নিত্য মুকুতিবিধান॥
হৰষে নাচত হৰ যাকেৰি আগে।
গৰুড়ক পেখি পলাৱল নাগে॥
খসল বাঘাম্বৰ বসন উঝাৰ।
সোহি কৰতু নিত্য মুকুতি তোহাৰ॥
যোহি জলধি মহ বান্ধল সেতু।
ৰাকস ৰাৱণ মাৰণ হেতু॥
ভীতা ভকতা সীতা কৰু ত্ৰাণ।
সোহি কৰত নিত্য মুকুতিবিধান॥

অঘ, বক, কেশী, কংশ যত আৰ।
দুষ্ট অৰিষ্টক মোড়ল ঘাৰ॥
পুতনা চেতন শোষল প্ৰাণ।
সোহি কৰতু নিত্য মুকুতি বিধান॥
ঋজু* কুবুজী যো কয়লি একান্ত।
কুবলয় জিনি উপাৰল দান্ত॥
কয়ল ৰঙ্গশালে মাল নিৰজান।
সোহি কৰতু নিত্য মুকুতি বিধান॥
যোহি বিষহ্রদ বাহু আস্ফালি।
কৰত কৌতুক নৃত্য কালি নিকালি॥
গোকুল ৰাখি বহ্নি করু পান।
সোহি কৰতু নিত্য মুকুতিবিধান॥
শ্ৰীৰামৰায়া ভকতি সুজান।
কৰাৱত কৃষ্ণ নাট নিৰমাণ॥
ৰুক্মিণী-হৰণ নাট পৰধান।
কৃষ্ণকিঙ্কৰ ওহি শঙ্কৰ ভাণ॥
শুন শুন সাধু সভাসদ লোই।
মূৰুখক দোষ ধৰবি নাহি মোই॥
হৃদি মাধৱ মতি যোহি মোহি দিলা।
সোহি অনুৰূপে কৰল হৰিলীলা॥
যাহেৰ যাইতে ইচ্ছা বৈকুণ্ঠ বাট।
শুনা সাৱধানকয়ো কৃষ্ণক নাট॥

পৰম বন্ধু হৰি চৰিত্ৰ বিনাই।
নাহি নাহি গতি কলিত লোকাই ॥
অবহু নাহি বুজি শাস্ত্ৰক মৰ্ম্ম।
নামত শৰণ লেহু সব ধৰ্ম্ম ॥
কলিমল মথন পৰম হৰি নাম।
জানি সৰহি নৰ বোলা ৰাম ৰাম ॥

ৰুক্মিণীহৰণনাম নাটকং সম্পুৰ্ণমিতি।

---

# টিপনী

১ মুহে—মুখে।
২ যাহে—যাক।
৩ সোহি—সেয়ে।
৪ মোহি—মোৰ।
৫ যোহি—যিজনে।
৬ যাকেৰি—যাৰ।
৭ করু—কৰে।
৮ ভয়ো—হই।
৯ ধয়লি—ধৰিলে।
১০ সয়ল—সমস্ত।
১১ যাহেৰি—যাৰ।
১২ পৰিৰম্ভন—আলিঙ্গন।
১৩ নিকালি—উলিয়াই দি, খেদি দি।
১৪ ভঙ্গে—ভাঙ্গে, গুছায়।
১৫ লেহি—লয়।
১৬ পয়োনিধি—সমুদ্র।
১৭ ওহি—এই।
১৮ কহইছি—কৈছো।
১৯ নটবৰ—বিলাসী, সুন্দৰ।
২০ অম্বৰু—বস্ত্র।
২১ লাসা—সুন্দৰ।
২২ ইন্দুৰুচি—চন্দ্ৰৰ নিচিনা।
২৩ মঞ্জীৰ—নূপুৰ।
২৪ বোলে—শব্দ কৰে।
২৫ কয়কহো—কৰি।
২৬ কয়ল—কৰিলে।
২৭ পয়সাৰ—উৎসৰকৰি।
২৮ চান্দ—চন্দ্ৰ।
২৯ উজোৰ—উজ্জ্বলে।
৩০ মোতিম—মুক্তা।
৩১ যৈচ—যেনে।
৩২ চকোৰ—চাকৈ চকোৱা।
৩৩ নিচোল—বস্ত্র, ঘাগৰা।
৩৪ কেয়ুৰ—বাজু।
৩৫ কাঞ্চি—মেখলা, চন্দ্ৰহাৰ।
৩৬ ঐচন—এইদৰে।
৩৭ বাত—কথা।
৩৮ আৰলিখিক—আছিলি।
৩৯ চপয়—চপয়ছন্দত।

৪০ মত—মোৰ। ৪১ ওতিম—উত্তম।

৪২ শোহে—শোভা কৰে। ৪৩ পেখিতে—দেখি।

৪৪ উনিকৰ—এওঁৰ। ৪৫ বিগাৰি—বিচলিত হৈ।

৪৬ নিন্দ—নিদ্রা। ৪৭ ৰাতা—ৰঙা।

৪৮ বলিত—নোদোকা।

৪৯ ত্রিবলি—ককাল আৰু গলধনৰ থোপখোৱা মঙহ।

৫০ আৰকত—অলপ ৰঙা।

৫১ ধ্বজ—ধ্বজ, বজ্র অঙ্কুশ এই তিনটা চিন গোসাঁইৰ পাদপদ্মত আছে। ৫২ যুবান—ডেকা।

৫৩ ধনি—সুন্দৰী গাভৰু। ৫৪ তোই—তোমাৰ।

৫৫ গ্রাহ—জ্ঞান, আগ্রহ। ৫৬ মোই—মোৰ।

৫৭ ভেন্ট—ভেট, লগপোৱা। ৫৮ থিক—আছে।

৫৯ বিমৰিশ—বিবেচনা কৰা। ৬০ পীউ—প্রিয়স্বামী।

৬১ অৱহু—এতিয়াহে। ৬২ বিপাক—বিপদ।

৬৩ বিপ্রিয়—অপ্রিয়, দুখলগা। ৬৪ অন্ধিয়াৰি—এন্ধাৰ।

৬৫ বাতে—বতাহে। ৬৬ উপাৰল—উভালিলে।

৬৭ লাই—লগাই। ৬৮ নেহা—প্রেম।

৬৯ কৈচে—কিয়। ৭০ বিহি—বিধি।

৭১ বিকলী—বিহ্বলা। ৭২ সাধিয়ে—সাধিবলৈ।

৭৩ তথি—তত। ৭৪ মহ—মধ্যত।

৭৫ শুতল—শুলে। ৭৬ মুদ—মুখ, সাফৰ।

৭৭ তথি—তাৰ।

৭৮ নিকাৰু—অপকাৰ, অপমান। ৭৯ চাপ—ধনু।

৮০ তৰিত—বিজুলী। ৮১ জড়িত—জলিথকা

পিঠি ৩৪ শাৰী ৫ নেহাৰী—চাই।

৮৩ বাহুৰি—উলটি। ৮৪ বিচুৰি—বিচাৰি।

৮৫ ৰয়নী মহ—মাজতে নিশাটো আছে।

পিঠি ৩৬ শাৰী ৮ ঝুৰে—চকুৰলো টোকে।

৮৬ পিচোৰা—বস্ত্ৰ। ৮৭ মুচান্দ—মুখচন্দ্ৰ।

পিঠি ৪৬ শাৰী ৫ ৰঙ্ক—হীন, দৰিদ্ৰ।

৮৮ লম্বি—সাৱতি ধৰি।

৮৯ অনঙ্গ—কামদেৱ, মদন। ৯০ ঋজু—সৰল, হোজা।

---